# পদকল্পতরু

( বন্দনামালা )।

RAI SAHIB HANUMAN BUX KANOI LIBRARY
No..............
Date..............
DIBRUGARH COLLEGE.

বালাবনগ্রামনিবাসিনা

লিখক ও প্রকাশক } শ্রীবটুনাথ চক্রবর্ত্তী কবিভূষণেন।

সম্পাদিত

# পদকল্পতরু

( বন্দনামালা )

RAISAHIB HANUMAN BUX KANOI LIBRARY
No. A 202
Date 23/12/45
DIBRUGARH COLLEGE.

বালাবনগ্রাম নিবাসিনা

শ্রীবটুনাথ চক্রবর্ত্তী কবিভূষণেন ।

বিৰচিতঃ প্ৰকাশিতশ্চ ।

*A-202*

891.451
CAL

প্ৰথম সংস্কৰণম্ ।

১৩৪৮

RAISAHIB HANUMAN BUX KANOI LIBRARY
No.
Date
DIBRUGARH COLLEGE.

প্ৰিণ্টাৰ—

শ্ৰীৰাজেন্দ্ৰলাল চৰকাৰ

কাত্যায়নী মেচিন প্ৰেচ

৩৯।১, শিৱনাৰায়ন দাসেৰ লেন,

কলিকতা।

# ভূমিকা

পূজা পাৰ্ব্বন বিয়া সবাহ আদি হিন্দুৰ সকলো অনুষ্ঠানতে আমাৰ দেশত আয়তী সকলে গীত গায়। বস্তুতঃ আয়তী সকলৰ গীত হিন্দুৰ সকলো ধৰ্ম্মানুষ্ঠানৰ অঙ্গৰূপে পৰিগণিত হৈ পৰিছে। কিন্তু দুখৰ কথা যে বহুত ঠাইত এতিয়াও আয়তী সকলে ধৰ্ম্মানুষ্ঠান বিলাকৰ ক্ৰম ৰক্ষা কৰি গীত গাবলৈ শিকা নাই। উপযুক্ত কিতাপৰ অভাবেই তাৰ প্ৰধান কাৰণ বুলিব পাৰি। হিন্দূৰ ভিন ভিন ধৰ্ম্মানুষ্ঠান বিলাকৰ ক্ৰমৰক্ষা কৰি শৃঙ্খলাবদ্ধ ভাবে গাব পৰাকৈ ৰচনা কৰা কোনো ভাল গীতৰ কিতাপ এতিয়াও ওলোৱা নাই। লিখকৰ পদ কল্পতৰু বন্দনা মালাই সেই অভাব দূৰ কৰিব বুলি আশা কৰা যায়।

পদকল্পতৰু বন্দনা মালাৰ প্ৰথম খণ্ডত লিখকে দেব দেবীৰ স্তোত্ৰ বিলাকৰ ভাব লৈ সৰল অসমীয়া ভাষাত বন্দনা ৰচনা কৰিছে। দেৱ দেবীৰ পূজা প্ৰসঙ্গত এই গীত বিলাক অতি উপযোগী হব বুলি বিশ্বাস। আজিও হিন্দুৰ সকলো বিলাক পূজা পাৰ্ব্বন সংস্কৃত ভাষাৰেই সম্পাদিত হয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় আজি সৰহ সংখ্যক হিন্দুই সংস্কৃত ভাষা ভালদৰে বুজি নেপায় গতিকে দেব দেবীৰ পূজাত ব্যবহৃত স্তব স্তোত্ৰ আদিৰ অৰ্থ ভালদৰে হৃদয়ঙ্গমে কৰিব নোৱাৰে।

সেই সংস্কৃত স্তব স্তোত্র বিলাকৰ দুৰ্গম অৰ্থ লিখকৰ এই কিতাপত লিখা বন্দনাৰ সহায়েৰে সকলো মানুহেই ভালদৰে বুজিব পাৰিব।

আয়তী সকলে নিজৰ নিজৰ সুৰত গাব পৰাকৈ পদ বিলাক ৰচনা কৰা হৈছে। এই পদ বিলাক আমাৰ দেশৰ ওজাপালি বিলাকেও নানা সুৰ লগাই গাব পৰাকৈ লিখা হৈছে। নাম সংকীৰ্ত্তন আদিতো এই পদ বিলাক গাব পাৰি। সংক্ষেপতে কবলৈ হলে আমাৰ এই এটা বহুদিনীয়া অভাব দূৰ কৰিবলৈ যত্ন কৰা বাবে লিখক আমাৰ প্ৰসংশাৰ পাত্ৰ। কিতাপত খন পুৰনি অসমীয়া ভাষাত লিখা হৈছে। আমাৰ দেশত ওজাপালি বিলাকে আৰু আয়তী সকলে সাধাৰণতঃ পুৰনি অসমীয়া ভাষাতে গীত গায়। গাতকে এই কিতাপত পুৰনি অসমীয়া শাঙ্কৰী ভাষা ব্যৱহাৰ কৰা অতি সমীচিন হৈছে।

আমি শুনি সুখ পাইছো যে লিখকে এই কিতাপৰ ২য় খণ্ড লিখিব ধৰিছে; আৰু তাত হিন্দুৰ দশ সংস্কাৰত গাব পৰাকে সুললিত সুৰেৰে কিছুখান গীত ৰচনা কৰিছে। এই কিতাপখন সম্পূৰ্ণকে লিখি উলিযাব পাৰিলে লিখকৰ উদ্দেশ্য সফল হব।

কিতাপৰ ভাষা বৰ্ত্তমানে চলিত নিভাজ অসমীয়া ভাষা নহয়। তাৰ কাৰণ আগতে উল্লেখ কৰা হৈছে। এই

কিতাপত বেচি পৰিমাণে সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰা হৈছে। তেনে নোহোৱা হলে বেচি ভাল আছিল। আশাকৰোঁ ২য় খণ্ডত এই আসোঁৱাহ দূৰ হব।

অবশেষত আমি ইয়াকে কব খোজো যে লিখকৰ উদ্যম প্ৰশংসনীয়। আশাকৰো সুধী সমাজত আৰু আয়তী সকলৰ মাজত এই কিতাপখনিয়ে উপযুক্ত সমাদৰ পাব। ইতি—

২১।৪।৪১

শ্ৰীউমাকান্ত শৰ্ম্মা।
কাব্যতীৰ্থ বি এ.
প্ৰাচ্যবিদ্যাবাগীশ
চাবডেপুটি কালেক্টৰ।

# গ্রন্থকাৰৰ নিবেদন।

ডাঙৰীয়া সকল,

মোৰ বিনীত সিবেদন এই যে মই এখন শাৰদীয় দুৰ্গা পূজালৈ গৈ সপ্তমীৰ দিন ৺জগজ্জননী বাণী বীজ স্বৰূপিনী নব দুৰ্গাৰ পাদপদ্মত যথাশক্তি গন্ধ পুষ্প সমৰ্পন কৰি সপ্তমী পূজা সমাপনান্তে সন্ধ্যা আৰতিৰ সময়ত অনেক আয়তী গোট খাই আৰতি দেখিলেহি কিন্তু কোনোৱে গীত বা উৰুলী নিদিলে। আৰতি সমাপন কৰি আয়তী সকলক মই বিনয়ভাবে কলোঁ— আই সকল, তোমালোকে অলপ গীত গাই উৰুলী দিয়া। তেতিয়া তেওঁলোকে কোনো উত্তৰ নিদিয়াত মই কলো "আই সকল, বোধকৰোঁ তোমালোকে গীত নাজানা ; মই তোমালোকক অলপ কেইটামান গীত ৰচনা কৰি দিম।" পিছত দশমী পূজা সমাপনান্তে মহিষমৰ্দ্দিনী মহামায়াৰ পাদ-পদ্মত ভৰষা কৰি ঘৰলৈ আহিলোঁ। পিছত বামনে যেনেকৈ আকাশৰ চন্দ্ৰ ধৰিবলৈ হাত বঢ়ায়, কেতেকীৰ ফুল দেখি ঢেকিয়াও ফুলিব খোজে আৰু সদাগৰে জাহাজেৰে বেপাৰ কৰা দেখি আদাৰ বেপাৰীও জাহাজৰ খবৰ কৰে তেনেকৈ মইও শিব বামাঙ্গিনী শিবাও শিৱৰ পাদপদ্ম ভৰষা কৰি এই পদকল্পতৰু (বন্দনা মালা) পুথিখন আৰম্ভ কৰিলোঁ। কিছুদিনৰ পিছত নলবাৰী সত্ৰ নিবাসী আসাম উপত্যকাৰ

স্কুলসমূহৰ ইন্‌স্পেক্টৰ মাননীয় শ্ৰীযুত শৰৎ চন্দ্ৰ দেৱ গোস্বামী মহোদয় আৰু বিহামপুৰ নিবাসী শ্ৰীযুক্ত উমাকান্ত শৰ্ম্মা বি, এ, চাব্‌ডেপুটী কালেক্টৰ মহোদয়ে পুথি খন চাই বৰ উৎসাহ দিয়ে। আমাৰ স্থানীয় ভদ্ৰলোকসকলৰ উৎসাহ আৰু বানী বীজ স্বৰূপিনী মধুকৈটভ সংহন্ত্ৰী বাগ্বাদিনীৰ কৃপাত এই পদ কল্পতৰুৰ প্ৰথম খণ্ড সমাধা হল। "ক্ষমাশীলোহি সাধবঃ" আপোনালোক সুধীসমাজে আৰু গায়ক গায়িকা সকলে বিশেষ দোষ নধৰি মৰমৰ চকুৰে চাব বুলি আশা কৰিলোঁ।

এই পুথিৰ দ্বাৰা সমাজত এধনিষ্ঠামানে উপকাৰ হলে মই নিজক কৃতাৰ্থ মানিম। ইতি

ৰাইজৰ আশীৰ্ব্বাদ ভিখাৰী
**শ্ৰীবটুনাথ চক্ৰবৰ্ত্তী**

# পুথিখন সম্বন্ধে মতামত।

তলত নাম দিয়া সহৃদয় ভদ্রলোক সকলে এই পুথিখনি পঢ়ি চাই বৰ প্ৰশংসা কৰি একোখনি ছাৰ্টিফিকেট দিছে আৰু পুথিখনি সোনকালে প্ৰকাশ কৰিবলৈ মোক উৎসাহ দিছে। তেখেত সকল আটায়ে লিখকক কবিভূষণ উপাধিৰে ভূষিত কৰিবলৈ বৰ আগ্ৰহ আৰু অভিমত প্ৰকাশ কৰিছে। ঠাইৰ অভাৱত তেখেতসকলৰ আশীৰ্ব্বাদ আৰু প্ৰশংসাপত্ৰ প্ৰকাশ কৰিব নোৱাৰি বৰ দুখিত হলোঁ। আৰু তেখেতসকলৰ প্ৰতি এই খিনিতে আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ভদ্ৰলোকসকলৰ নাম—

শ্ৰীযুত দেবেন্দ্ৰনাথ সাংখ্যতীৰ্থ—অধ্যাপক,
অসম আয়ুৰ্ব্বেদ আশ্ৰম।

শ্ৰীযুত চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ—গামেৰীমুৰী সংস্কৃতটোল।

শ্ৰীযুত জীবেশ্বৰ শৰ্ম্মা এম, এ বেদান্ততীৰ্থ—তেজপুৰ।

শ্ৰীযুত বানীকান্ত শৰ্ম্মা—তেজপুৰ লাইব্ৰেৰী।

শ্ৰীযুত ৰূদ্ৰকান্ত দেৱ গোস্বামী—ব্যাসকুছি সত্ৰাধীকাৰী।

শ্ৰীযুত মাধবচন্দ্ৰ ভাগবতী বি. এ. হেড মাষ্টাৰ, জাগী হাইস্কুল।

শ্ৰীযুত উমাকান্ত শৰ্ম্মা বি. এ. কাব্যতীৰ্থ, প্ৰাচ্য বিদ্যাবাগীশ,
চাব্ ডেপুটি কালেক্টৰ।

শ্ৰীযুত হৰেন্দ্ৰনাৰায়ণ দত্ত—অবসৰ প্ৰাপ্ত স্কুলসমূহৰ ডেপুটী
ইনস্পেক্টৰ।

শ্ৰীযুত চন্দ্ৰকান্ত গোস্বামী—বিহামপুৰ।
শ্ৰীযুত হোমেশ্বৰ দেৱশৰ্ম্মা বি. এ.—মুগকুছি।
শ্ৰীযুত প্ৰতাপ নাৰায়ণ চৌধুৰী—খাতাবাৰী।
শ্ৰীযুত ধৰ্ম্মকান্ত শৰ্ম্মা বি. এল.—গৌহাটী।
শ্ৰীযুত ৰঘুনাথ ভট্টাচাৰ্য্য ব্যাকৰণতীৰ্থ—ধকুৱাবান্ধা।
শ্ৰীযুত হৰিশ্চন্দ্ৰ ভাগবতী—হেড্ মাষ্টাৰ ককয়া এম. ই স্কুল।
শ্ৰীযুত জয়কান্ত শৰ্ম্মা মিশ্ৰ কাব্য ব্যাকৰণতীৰ্থ সাহিত্য
ব্যাকৰণ শাস্ত্ৰী—ধকুৱাবান্ধা।
(বৰভাগ কালাগ হাইস্কুল।)
শ্ৰীযুত উগ্ৰকান্ত মিশ্ৰ ব্যাকৰণতীৰ্থ, সাংখ্যৰত্ন আয়ূৰ্ব্বেদশাস্ত্ৰী
—ধকুৱাবান্ধা।
শ্ৰীযুত আদ্যনাথ ভট্টাচাৰ্য্য বি. এ. গোৱালপাৰা।
শ্ৰীযুত প্ৰভাত নাৰায়ণ চৌধুৰী বি, এ, খাতাবাৰী।
শ্ৰীযুত প্ৰিয়কান্ত গোস্বামী স্মৃতিতীৰ্থ, স্মৃতি ব্যাকৰণশাস্ত্ৰী—
—ব্যাসকুছি।
শ্ৰীযুত ৰনীধৰ চৌধুৰী—মৌজাদাৰ, ধৰ্ম্মপুৰ, মৌজা।
শ্ৰীযুত গিৰীশচন্দ্ৰ শৰ্ম্মা, সাহিত্য ব্যাকৰণশাস্ত্ৰী কবিৰাজ—
—ডিব্ৰুগড়
শ্ৰীযুত হৰপতি দেৱশৰ্ম্মা ব্যাকৰণতীৰ্থ স্মৃতিৰত্ন, ব্যাকৰণশাস্ত্ৰী
—কমলাবাৰী হাইস্কুল সংস্কৃতটোল।
শ্ৰীযুত শান্তিৰাম দাস ডাক্তৰ ডিব্ৰুগড়।

# সূচী।


| | | | | |
|---|---|---|---|---|
| ১। | গুৰু বন্দনা | ... | ... | ১ |
| ২। | গণেশ বন্দনা | ... | ... | ৪ |
| ৩। | নাৰায়ণ বন্দনা | ... | ... | ৬ |
| ৪। | হয়গ্ৰীৱ মাধৱ বন্দনা | ... | ... | ৮ |
| ৫। | অষ্টমী বন্দনা | ... | ... | ১০ |
| ৬। | সৰস্বতী বন্দনা | ... | ... | ১২ |
| ৭। | সৰস্বতী বন্দনা (২) | ... | ... | ১৪ |
| ৮। | শিৱ বন্দনা | ... | ... | ১৬ |
| ৯। | শিৱ বন্দনা (২) | ... | ... | ১৮ |
| ১০। | বিল্বেশ্বৰ বন্দনা | ... | ... | ২১ |
| ১১। | কামাখ্যা বন্দনা | ... | ... | ২৩ |
| ১২। | শ্ৰীশ্ৰীদুৰ্গাৰ বন্দনা | ... | ... | ৩০ |
| ১৩। | শ্ৰীচণ্ডী কৱচ | ... | ... | ৩৩ |
| ১৪। | শ্ৰীশ্ৰীপদ্ম কুমাৰী বন্দনা | ... | ... | ৩৬ |
| ১৫। | শ্ৰীশ্ৰীপদ্মা বন্দনা | ... | ... | ৩৮ |
| ১৬। | শ্ৰীশ্ৰীকালী বন্দনা | ... | ... | ৪০ |
| ১৭। | কালী বন্দনা (২) | ... | ... | ৪৩ |
| ১৮। | শ্ৰীশ্ৰীলক্ষ্মী বন্দনা | ... | ... | ৪৬ |
| ১৯। | শ্ৰীশ্ৰীলক্ষ্মী বন্দনা (২) | ... | ... | ৪৮ |

২০। শ্ৰীশ্ৰীবাঘেশ্বৰী বন্দনা … … ৫০
২১। শ্ৰীশ্ৰীজয়দুৰ্গা বন্দনা … … ৫১
২২। ইন্দ্ৰ বন্দনা … … ৫৩
২৩। শ্ৰীকাৰ্ত্তিক বন্দনা … … ৫৫
২৪। শ্ৰীশ্ৰীসূৰ্য্য বন্দনা … … ৫৬
২৫। শ্ৰীশ্ৰীশীতলা বন্দনা … … ৫৮
২৬। শ্ৰীশ্ৰীজগন্নাথ বন্দনা … … ৬১
২৭। শ্ৰীশ্ৰীৰামকৃষ্ণৰ বৰগীত ও সংকীৰ্ত্তন … ৬৫
২৮। পাথৰ … … ৬৬



শ্রীবটুনাথ চক্রবর্ত্তী।

নমো গণেশায় ॥

# পদ কল্পতৰু

## ( বন্দনা মালা )

শ্ৰীশ্ৰীগুৰবে নমঃ ॥

শিব পাদযুগং নমামি সততম্, চন্দ্ৰশেখৰম্ ।
শীৰে জটা-ভাৰং ধবলশৰীৰং পন্নগধৰম্ ॥
তব পাদ-যুগে বিদধাতু মমভক্তিৰচলা ।
দেহিমে কবিত্বমবণী পুৰিতং সহউময়া ॥
নমো দেবাধি-দেবায় চন্দ্ৰাৰ্দ্ধ-কৃত-মৌলয়ে,
নমস্তে পঞ্চবক্ত্ৰায় নমো হৰিহৰাত্মনে ॥
প্ৰণম্য পাৰ্ব্বতী কান্তং নয়ন ত্ৰয়ভূষিতং,
লিখ্যতে বটুনাথেন পদ কল্পতৰুৰয়ং ॥

### ( গুৰু বন্দনা )

জয় নমো হৰিহৰ দেৱ নিৰ্ব্বিকাৰ ।
তুমি গুৰু জগতৰ হোৱা মূলাধাৰ ॥

## ( পদ )

প্ৰথমে প্ৰণমো পৰং ব্ৰহ্ম নিৰাকাৰ।
তাৰ পাচে প্ৰণমোঁহো ব্ৰহ্মা যে সাকাৰ ॥
সাকাৰ ৰূপেতে বন্দো বৈকুণ্ঠ বিহাৰী।
চতুৰ্ভুজ শঙ্খ চক্ৰ গদা পদ্ম ধাৰী ॥
তাৰ দুই ভাৰ্য্যা বন্দোঁ লক্ষ্মী বীণাপাণী।
গোকুলবিহাৰী সহ ৰাধিকা ৰুক্মিণী ॥
প্ৰণমোঁহো সদাশিৱ দেৱ শূলপাণি।
জাহ্নবী সহিতে বন্দোঁ দেবী দাক্ষায়ণী ॥
গণেশক প্ৰাণমোঁহো বাহন মূষিক।
ময়ূৰ বাহনে বন্দোঁ দেৱতা কাৰ্ত্তিক ॥
ইন্দ্ৰ আদি দেৱগণে কৰোঁ নমস্কাৰ।
আৰু যত দেৱতাক কৰোঁ কৰযোৰ ॥
আদি গুৰু বন্দোঁ পিতামাতাৰ চৰণ।
ভাৰ্গব মুনিক মই কৰোঁহো বন্দন ॥
আৰু চাৰি পিতা আছে শাস্ত্ৰৰ বচনে।
চিৰকাল বন্দোঁ মই তাঁহাৰ চৰণে ॥
হংসাবৃত পদ্ম মধ্যে স্থিত যেই গুৰু।
মন্ত্ৰদাতা গুৰু সহ নমস্কাৰ কৰোঁ ॥
উত্তম জনক মই কৰোঁ যোৰ পাণি।
মধ্যম জনক মই কহোঁ প্ৰিয়বাণী ॥

সমাজক প্ৰণমিলোঁ যুৰি দুই কৰ।
নিন্দা নকৰিবা এবে মতি অল্প মোৰ ॥
বটু নাথে বন্দি কহে গুৰুৰ চৰণে।
অতি অল্প জ্ঞান মোৰ বাস বণগ্ৰামে ॥
কামাখ্যাৰ হোতা ভেক পূৰ্ব্ব বংশধৰ।
তেওঁৰে বংশত জন্ম হইলেক মোৰ ॥

## ( নাম আৰু গীত )

জয় নমো নাৰায়ণ, গোলক বিহাৰী।
শঙ্খ চক্ৰ গদা পদ্ম বনমালা ধাৰী ॥

## ( নাম ) ও সংকীৰ্ত্তন

১। নমো বনমালী শ্ৰীদাম সখা।
গোবৰ্দ্ধনধাৰী কৰিও ৰক্ষা ॥
২। প্ৰণমো গোপাল দেৱ গোবিন্দ।
শৰণ পশিলোঁ প্ৰভু মুকুন্দ ॥
৩। পদে কত মধু মিলে, এগুৰু পদে।
৪। কি দিয়া পূজিম্ গুৰু, কি আছে আমাৰ।
কাম, ক্ৰোধ, আদি চয় ৰিপু সঙ্গে মোৰ ॥

---

নমো গণেশায় ॥

# গণেশ বন্দনা।

## দিহা।

নমো লম্বোদৰ, পাৰ্ব্বতী কুমাৰ,
একদন্ত মনোহৰ।

## পদ ॥

বিঘ্ন বিনাশন, দেৱ গজানন,
সিন্দুৰ ভূষিত তনু।
অতি স্থূলকায়, খৰ্ব্বাঙ্গ শোভয়,
মহাদেৱ অঙ্গ জনু ॥
যাত্ৰাৰ মঙ্গলে, দেৱতা সকলে,
পূজে সৰ্ব্বদেৱ-আগে।
দশন হুগোট, আছিলা পূৰ্ব্বত,
একদন্ত ৰামে ভাগে ॥
পাৰ্ব্বতীৰ সূত, সৰ্ব্বগুণ যুত,
স্মৰণে বিঘ্ন নাশয়।
দেখিবে তোমাৰে, গৈলা শনেশ্চৰে,
দৰ্শনে মুণ্ড খঁহায় ॥
মুণ্ডৰ নিপাত, দেখিয়া ধৰাত,
পাৰ্ব্বতীৰ দুখ ভৈলা।
বিকল কান্দিয়া, ভৈলা হৰজায়া,
মহাদেৱ আগে কৈলা ॥

দেবীৰ বচন, শুনি ত্রিনয়ন,
আতিকে কাতৰ ভৈলা ॥
মুণ্ডৰ পতন, জানি দেৱগণ,
কৈলাসক লৰি গৈলা ॥
মিলি দেৱগণে, যুক্তি কৰি মনে,
গৈলেক উত্তৰ দিশে।
দেখিলন্ত গৈয়া, ঐৰাবত শুইয়া
আছন্ত উত্তৰ শীৰ্ষে ॥
সে মুণ্ড আনিয়া দিলন্ত জুৰিয়া
এই হেতু গজানন।
বটুনাথে ভণে, গণেশ চৰণে,
কৰাঁ বিঘ্ন বিনাশন ॥
অতি অল্পমতি, নাজানোঁ ভকতি,
মাগোঁ সদা শ্রীচৰণ।
ওহে সাধুজন, ত্যজা অন্যমন,
ভাবাঁ বিঘ্ন বিনাশন ॥

---

(নাম)

নমো (দেৱ) গজানন, মূষিক বাহন
(সিন্দুৰ ভূষিত তনু)
পাৰ্ব্বতী প্রিয় নন্দন ॥

## ( গীত ও নাম )

জয় নমো গজানন মূষিক বাহন,
সিন্দুৰ ভূষিত অঙ্গ দেখিতে শোভন ॥

---

## ( গীত ) ও ( সংকীৰ্ত্তন )

নমো গজানন, মূষিক বাহন,
পাৰ্ব্বতী প্ৰিয় নন্দন।
তোমাৰ চৰণে, ভজে যিটোজনে,
হয় বিঘ্ন বিনাশন ॥

---

নমো নাৰায়ণায়।

# নাৰায়ণ বন্দনা ॥

জয় নমো নাৰায়ণ দেবকী কুমাৰ।
গৰুড় বাহনে প্ৰভু ফুৰা সৰ্ব্বকাল ॥

পদ ॥

প্ৰণমোঁ হো সবিতৃ মণ্ডল মধ্যস্থিত।
সবাৰো আশ্ৰয় তুমি সৰ্ব্ব মূল ভূত ॥
পদ্মৰ আসনে তব হয় অধিষ্ঠান।
সুবৰ্ণ কুণ্ডলে কৰ্ণ সদা শোভমান ॥

মস্তকে কিৰীটি শোভে অতি চমৎকাৰ।
তপ্তকাঞ্চনৰ কান্তি দেহত তোমাৰ॥
তোমাৰ মহিমা গুণ বেদে অগোচৰ।
ব্ৰহ্মা আদি দেৱগণে চিন্তে নিৰন্তৰ॥
ভক্তাধীন হোৱা প্ৰভু ভক্তৰ জীৱন।
মুনি ঋষি গণে ধ্যানে চিন্তে অনুক্ষণ॥
তোমাৰ চৰণে স্থান দিয়া নাৰায়ণ।
মই অতি মূঢ়মতি অতি অভাজন॥
চক্ৰবৰ্ত্তী দ্বিজ হয় বটু নাথ নাম।
ভৃগুৰ বংশত জন্ম বাস বনগ্ৰাম॥

RAISAHIB HANUMAN BUX KANOI
No..........
Date..........
DIBRUGARH COLLEGE.

## নাম।

১। জয় নমো নাৰায়ণ দেৱ দয়াময়,
অনন্ত শয্যাত প্ৰভু আছিলাহা শুই॥
(জয় নমো নাৰায়ণ হে)
২। জয় হৰি কেশৱ নাৰায়ণ দেৱ মাধৱ হৰি॥

সত্য নাৰায়ণৰ নাম।

১। এ হৰি এ সত্যনাৰায়ণ, বৃদ্ধ ব্ৰাহ্মণৰ ৰূপে
দিলা দৰশন।
হৰি এ সত্যনাৰায়ণ॥
২। সত্যনাৰায়ণ, দ্বাপৰ শেষে
প্ৰকাশ ভৈলেক ব্ৰাহ্মণবেশে॥

সত্যনাৰায়ণ। কৌস্তুভ ভূষণ
দাৰিদ্ৰ দুঃখ ভঞ্জন ॥

**নাম ও সংকীৰ্ত্তন।**

(৩) হয়াসুৰ বধ কৰি আপুনি যাদৱ,
মণি কুটাচলে হৈলা ৰূপে হয়গ্ৰীৱ ॥

**নাম।**

(৪) মণি কূটোপৰি, আসিয়া মুৰাৰি,
মাধৱে কৰিলা বাস ॥

---

## হয়গ্ৰীৱ মাধৱ বন্দনা ॥

হয়াসুৰে বধি হৰি দেৱ চক্ৰধাৰী।
হয়গ্ৰীৱ ৰূপ ভৈলা আপুনি মুৰাৰি ॥

**পদ।**

নমো দেৱ মাধৱ।
যদুকুলে যাদৱ ॥
মধু কৈটভক মাৰি
পৃথিবী স্ৰজিলা হৰি
মুৰাসুৰে বধ কেতু,
মুৰাৰি নামৰ হেতু।

হয়াসুৰে বধ কৈলা ।
হয়গ্ৰীৱ ৰূপ ভৈলা ॥
মণিকূটে কৃতবাস ।
ভৈলা প্ৰভু শ্ৰীনিবাস ॥
ন ভৈলোঁ সেৱাৰ পাত্ৰ,
কেৱল প্ৰণমো মাত্ৰ ॥
মাধব কৰাঁহা দয়া ।
দিয়ো মোক পদ ছায়া ।
হয়গ্ৰীৱ শ্ৰীচৰণে,
বটুনাথ দেৱে ভনে ॥
সমস্ত সমাজে ঢাকি,
শ্ৰীমাধব বোলা ডাকি ॥
বন গ্ৰামে বাসভূমি
দয়া কৰাঁ চক্ৰপাণি ।

---

## কীৰ্ত্তন ।

হয়গ্ৰীৱ মাধৱ দেৱ,
বিনাশিলা হয়গ্ৰীৱ ॥

**( কীৰ্ত্তন ও নাম )**

হৰে যাদৱ, হয়গ্ৰীৱ মাধৱ,
হয়গ্ৰীৱ মাধৱ কৃষ্ণ হৰে ।

## অষ্টমী বন্দনা

১নং বসুদেব ঘৰে দৈবকী উদৰে
গোকুলত জন্ম ধৰে ॥
২নং নমো দা-মোদৰ দৈবকী কুমাৰ
বাসুদেব নাম ধৰে ॥

## পদ

ৰাত্রি মধ্যভাগে অষ্টমীৰ যোগে
ৰোহিনী জয়ন্তী পাই ।
দৈবকীৰ স্তন সেই কৰি পান
পৰ্য্যঙ্কে আচন্ত শুই ॥
এনে নাৰায়ণ কৰহ চিন্তন
তপ্ত কাঞ্চনৰ আভা ।
ভুজ দুই ধাৰি অল্পহাস্য কৰি
ভুবন কৰিছে শোভা ॥
নিলোৎপল প্রায় নয়ন শোভয়
দেখি সৰ্ব্বদুঃখ হৰে ।
কৌস্তভ শ্ৰীবৎস শোভিত উৰস্ক
কিৰীটি শোভিত শিৰে ॥
ভূজ চাৰিখন অতিবিতো পণ
আজানু লম্বিত হয় ।
দক্ষিনোৰ্দ্ধ কৰে গদা শোভা ধৰে
অধঃহস্তে পদ্ম লয় ॥

বাম ঊৰ্দ্ধ কৰে শঙ্খ শোভা কৰে
অধহস্তে চক্ৰধৰ।
কঙ্কন কেয়ুৰ বনমালা আৰ
শোভা কৰে মনোহৰ॥
এই নাৰায়ণ মুক্তিৰ কাৰণ
সদা চিন্তে যোগীবৰ।
দৈবকী বালক ত্ৰৈলোক্য পালক
এভবে কৰা উদ্ধাৰ॥
ওহে সাধুজন এৰা অন্যমন
সদা বোলা নাৰায়ণ।
নেজানু ভকতি কৰহো প্ৰণতি
তব পদে দিয়া স্থান॥
বটুনাথ অতি জ্ঞানহীন মতি
তব পদে মাগো স্থান।
গৰুড় বাহন ৰাধিকাৰ-মন
এভবে কৰ মোচম॥

## গীত

আজি নন্দ ঘৰে মঙ্গল ধ্বনি, লভিলেক পুত্ৰ যশোদাৰাণী
চলা সখি সবে চাওঁ গৈ আমি॥
নাম—মুখ্য যে চান্দ্ৰত শ্ৰাবণ মাসত।
অষ্টমী তিথিক পাই॥
দৈবকী উদৰে কৃষ্ণ জন্ম ধৰে।
ৰোহিণী জয়ন্তি লই॥

শ্রীশ্রীসৰস্বত্যৈ নমঃ ॥

# সৰস্বতী বন্দনা ॥

জয় জয় বীণাপানি, সৰ্ব্ব বিদ্যা প্ৰদায়িণী,
তুমি মূৰ্খ দোষ নিবাৰিণী ॥

## পদ

শুক্ল বস্ত্ৰ পৰিধান, শুক্ল পদ্মে অধিষ্ঠান,
তুমি দেবি বীণাবাদ্যৰতা ।
ব্যাস আদি কবি যত, সৰ্ব্ব বিদ্যাবিশাৰদ,
তাসম্বাক দিছাহা কবিতা ॥
কুন্দেন্দু ধবল কান্তি, মুক্তা জিনি দন্ত পান্তি,
কণ্ঠে থাকি দিয়া বিদ্যাদান ।
তুমি সৰ্ব্বগুণান্বিতা, বিষ্ণু বক্ষঃস্থল স্থিতা,
সৰ্ব্বলোকে পূজে শ্ৰীচৰণে ।
যাক তুমি কৰা দয়া——কুমতিক এৰাইয়া,
সভামধ্যে হয় সে পণ্ডিত ।
ব্ৰহ্মা আদি দেৱগণে, পূজে সদা শ্ৰীচৰণে,
তুমি মাতা সৰ্ব্বত্ৰ বন্দিত ॥
পূৰ্ণচন্দ্ৰ জিনি আভা, মুখ পদ্ম কৰে শোভা,
নমো নমো বাক্যপ্ৰদায়িণী ।
যাৰ প্ৰতি তুমি ৰুষ্ট, সকলে তাহাৰ নষ্ট,
তাৰ মুখে নাহে শুভ বাণী ।

যাহাক কৰাঁহা দয়া, তুমি মাতা বিষ্ণু জায়া,
মুখে তাৰ কবিত্ব অমৃত।
কৰাঁ দেবি কৃপা দান, দিয়া মোক শ্ৰীচৰণ,
দূৰ কৰাঁ জাড্য দোষ যত ॥
বটুনাথ অল্পমতি দয়া কৰাঁ সৰস্বতী,
তব পদে মাগোঁ হো শৰণ।
ভাবিয়োক সভাসদ, এহি সৰস্বতী পদ,
সবে ভাবাঁ ই ৰাঙ্গা চৰণ ॥
বনগ্ৰামে বাসভূমি, দয়া কৰাঁ বীনাপাণি,
কণ্ঠে থাকি দিয়া অনুমতি।
নাহি জ্ঞান বুদ্ধি বল, ৰক্ষা কৰা সৰ্ব্বকাল,
দিয়াঁ জ্ঞান মোৰে সৰস্বতী ॥

---

## কীৰ্ত্তন

আই সৰস্বতী আই, তোম্মাৰ বৈকুণ্ঠতে ঠাই,
হাতে বীণাধৰি, বীণা ধ্বনি কৰি
ফুৰা বেদগান গাই ॥

---

## (২) সৰস্বতীৰ বন্দনা।

নমে সৰস্বতী, পদ্মাসণে স্থিতি,
মুখে মনোহৰ হাঁসি ॥

---

### পদ

বন্দোঁ সৰস্বতী, পদ্মাসনে স্থিতি,
তুমি বাক্য প্ৰদায়িণী ।
যাৰে কৰা দয়া, দিয়া পদচ্ছায়া,
সেয়ে হয় মহাজ্ঞানী ॥
বীণা হাতে ধৰি, বীণা ধ্বনি কৰি কৰি,
ফুৰা বেদ গুণ গাই,
পুস্তক লেখনী, অজ্ঞান দলনী,
তোমাৰে হস্তে শুৱায় ॥
পূৰ্ণ চন্দ্ৰ সম, মুখ নিৰূপম,
সুন্দৰ ধবল দেহে ।
আজানু লম্বিত, চিকুৰ কুঞ্চিত,
দেখি মুনি মনমোহে ॥
উচ্চ নিতম্বিনী, ঈষত হাঁসিণী,
মূৰ্খ দোষ বিনাশিনী ।
পীণ পয়োধৰে, কিবা শোভাকৰে,
তুষাৰ শুভ্ৰ বসণী ॥

চক্রবর্ত্তী দ্বিজ, জীৱনাথাঙ্গজ,
বটু নাথ দেৱে ভনে।
তব পদচ্ছায়া, দিয়াঁহা অভয়া,
কহয় বাণী চৰণে ॥

( ১ ) ( গীত ও নাম ) ও সংকীৰ্ত্তন

নমো সৰস্বতী, পদ্মাসনে স্থিতি,
পুস্তক বীণা ধাৰিণী।
ধবল বসনা. বিবিধ ভূষণা,
সদা কৰা বীণা ধ্বনি ॥

( ২ )

নমো বীনাপাণি, পূর্ণ চন্দ্রজিনি,
ধবল দেহৰ কান্তি ॥

## ( ৩ ) ( আৰতি গীত )

নমো বীনাপাণি, ঈষত হাসিণী,
তুষাৰ কর্পূৰ বেশ।
বেশ, বেশ. বেশ, অতি শুভ্র বেশ,
বেশ———বেশ—বেশ ॥

## গীত।

আই সৰস্বতী আই, তোমাৰ বৈকুণ্ঠতে ঠাই,
শুকুলা বসন কৰা পৰিধান-
শ্বেত পদ্মে অধিষ্ঠান ॥

নমঃ শিবায়।

# ( শিব বন্দনা )

শিৱ তুমি গঙ্গাধৰ—
কণ্ঠেতে বাসুকি শোভে বাস ব্যাঘ্ৰ ছাল ॥

## পদ

কৈলাশশীখৰ মধ্যে ৰত্নসিংহাসন।
উমাসহ একাসনে আছে পঞ্চানন ॥
স্বামীৰ চৰণে ধৰি পুছিলন্ত সতী।
প্ৰাণীদেহে কিৰূপতে কৰা ক'ত স্থিতি ॥
মহাদেৱে বুলিলেক, পাৰ্ব্বতীক চাই।
যেহি যেহি স্থানে থাকোঁ শুনিয়ো নিশ্চয় ॥
মূলাধাৰে চতুৰ্দ্দলে কুণ্ডলিণী স্থান।
স্বয়ম্ভু ৰূপতে মই তাত বিদ্যমান।
স্বাধিষ্ঠান নামে পদ্ম যিটো ষড়দল।
মহাবিষ্ণুৰূপী তাত পালোঁহো সকল ॥
মণিপুৰে মহাৰুদ্ৰ নাম জানা তুমি।
সকলো প্ৰাণীক নাশ কৰোঁ তাত আমি ॥
অনাহতে থাকোঁ মই হইয়া ঈশ্বৰ।
সকলো দেৱতা গণে পূজে নিৰন্তৰ ॥
ষোড়শ দলেতে মই সদা শিব হওঁ।
আজ্ঞাতে সাক্ষাত শিৱ তোমাকে জনাওঁ ॥

সহস্র দলেতে মোৰ বিন্দুৰূপে স্থিতি।
মিলনে জীৱই পায় নিৰ্ব্বান মুকুতি॥
শিববাক্যে হৰ্ষ পিছে লভিলা পাৰ্ব্বতী
ভূমিত পৰিয়া পদে কৰিলা প্ৰণতি॥
দেৱ দেৱ মহাদেৱ সৰ্ব্ব দেৱ সাৰ।
ই ভব সাগৰে মোক কৰাহা নিস্তাৰ॥
মহাদেৱ পদে বোলে বটুনাথ দেৱ।
একমন হৈয় সৱে সেৱা সদাশিৱ॥
কামৰূপে বাস হয় ভৃগু বংশে জন্ম।
শিৱ পদে ভক্তি মাগোঁ বাস বনগ্ৰাম॥

## নাম

(১) জয় জয় সদাশিৱ দেৱ দিগম্বৰ।
(দেৱ দিগম্বৰ) শিৰে শোভে শশীকলা হাতত ত্ৰিশূল॥
সংকীৰ্ত্তন (২) জয়ো নমো সদাশিৱ বৃষভ বাহন।
সতী দেহ কান্ধে কৰি ফুৰা ত্ৰিভুবন।
(৩) নমো মহাদেৱ ত্ৰিশূলী ভৱ।
জগত জনৰ তুমিহে জীৱ॥

SAHIB HANUMAN BUX ... No.......... Date.......... DIBRUGARH COLLEGE

## গীত

জয় নমো বিৰূপাক্ষ দেৱ পঞ্চানন।
ত্ৰিশূল আঘাতে কৈলা দৈত্য বিনাশন॥

## নাম।

১। এ—ক্রীড়া কৰে শৰবনে দেৱ পঞ্চানন,
অগ্নি অংশে, শৰবনে জন্ম ষড়ানন ॥
২। শিব চৰণে মনাই ভজো ( এ ) মনাই ভজো এ
শিব চৰণে মনাই ভজো ॥

# শিৱ বন্দনা (২)

নমো দেৱ মহেশ্বৰ, ত্ৰিশূল ডম্বৰ ধৰ,
মহাদেৱ দেৱ দিগম্বৰ ॥

## পদ ( ত্ৰিপদী )

জয় দেৱ সদাশিৱ, তুমি জগতৰ জীৱ,
প্ৰণমোঁ হো দেৱ গঙ্গাধৰ ।
মহাদেৱ পশুপতি, তুমি অগতিৰ গতি,
জয় জয় দেৱ দিগম্বৰ ॥
ব্যাঘ্ৰছাল কটিতটে, প্ৰীতিমন্ত বিজয়াতে,
অৰ্দ্ধচন্দ্ৰ শোভে যাৰ ভালে ।
বৃষভ বাহন যাৰ, ভূত প্ৰেত অনুচৰ,
ৰজত সমান দেহ জ্বলে ॥

বামে শোভে দাক্ষায়ণী, জটাজুটে মন্দাকিণী
প্ৰণমোঁহো দেৱ বিশ্বেশ্বৰ।
ওহে জগন্নাথ দেৱ, নীলকণ্ঠ নামতব,
ভস্মভূষা ভূষিত শৰীৰ॥
মহাকাল কালী সঙ্গে, থাকা সদা ৰতি ৰঙ্গে
কণ্ঠে শোভে বাসুকি ভূষণ।
পঞ্চ মুখ নেত্ৰ তিনি, অগ্নি সূৰ্য্য চন্দ্ৰ জিনি
এইৰূপ চিন্তে যোগীগণ॥
তুমি জগতৰ কৰ্ত্তা, ৰুদ্ৰৰূপে তুমি হৰ্ত্তা.
তুমি আদি জগতৰ গুৰু।
নমো দেৱ ত্ৰিপুৰাৰি, উমাকান্ত নাম ধাৰী,
সদা শিৱ প্ৰভু কল্পতৰু॥
নাজানোঁ মিনতি স্তুতি, কৃপা কৰা পশুপতি,
অন্তে যেন তব নাম আসে।
ই দাসক কৰা দয়া, দিয়া তব পদ ছাঁয়া,
প্ৰাণ যেন যায় তব পাশে॥
বটুনাথ অল্পমতি, বনগ্ৰামে হয় স্থিতি,
শিৱ পদে মাগোঁহো ভকতি।
সমস্ত সমাজে ঢাকি শিৱ শিৱ বোলা ডাকি,
শিৱ পদে কৰাঁহা প্ৰণতি॥

(নাম)

শিৱ তুমি গঙ্গাধৰ,
কপালেতে অৰ্দ্ধচন্দ্ৰ হস্তেতে ত্ৰিশূল ॥

(নাম ও গীত)

এ শিৱ চলিলা এ, হিমালয় ঘৰে,
তোমাৰ চৰণসেৱে নগৰ ঈশ্বৰে ।

---

## বিশ্বনাথৰ নাম ।

জয় জয় বিশ্বনাথ, বাৰাণসী তটে,
কাশীধাম স্ৰজিলাহা ত্ৰিশূল অগ্ৰেতে ॥
জয় নমো বিশ্বনাথ ॥

গীত ।

বিবাহ কাৰণে দেৱ পঞ্চাননে
বৃষভে চৰিয়া যায় ।
নন্দীভৃঙ্গী আদি অনুচৰ গণে,
শিৱক বেঢ়িয়া ধায় ॥

---

## ( বিল্বেশ্বৰ বন্দনা )

বামে শক্তিধৰ দেৱ বিল্বেশ্বৰ
ভালে অৰ্দ্ধচন্দ্ৰ ধৰ ॥

### ( লঘু ত্ৰিপদী )

সবিন্দু ওঙ্কাৰ চিন্তি যোগীবৰ
কামমোক্ষ ফল পায়।
ইহেন ওঙ্কাৰ, নমো বাৰে বাৰ,
পৰাৎপৰ ব্ৰহ্মময় ॥
নাহি জন্ম যাৰ, আৰু অবতাৰ,
অক্ষয় স্বভাৱ আৰ।
যাক দেৱগণে নমে এক মনে
প্ৰণমো সেহি নকাৰ ॥
মহাদেৱ হৰ, মহাত্মা শঙ্কৰ
মহাযোগী মহেশ্বৰ।
মহাপাপ হৰ— ব্যঞ্জক অক্ষৰ
প্ৰণমোঁ সদা মকাৰ ॥
সদা শিৱ শান্ত দেৱ উমাকান্ত,
কৃপা যাৰ পাপীতাপী।
লভে,—সেই দেৱ পৰংব্ৰহ্ম শিৱ
প্ৰণমো শিকাৰ ৰূপী ॥

বৃষভ বাহন, বাসুকি ভূষণ,
বামে সদা শক্তিধৰ ।
এনে শঙ্কৰৰ, বাচক অক্ষৰ,
প্ৰণমো ব-কাৰ বৰ ।
যতে ততে স্থিতি দেৱ পশুপতি,
জগদ্ব্যাপী মহেশ্বৰ ॥
জগতৰ কৰ্ত্তা, জগতৰ হৰ্ত্তা,
য-ৰূপে প্ৰণমোঁ হৰ ॥
শিৱ পুৰাণত, বশিষ্ঠ ৰচিত
স্তোত্ৰ শিৱ ষড়ক্ষৰ ।
বটুনাথ দেৱ চিন্তে সদাশিৱ
মুখে বোলা বিল্বেশ্বৰ ॥

## নাম ও গীত ।

(১) বিল্লেশ্বৰ সদাশিৱ জগতৰ জীৱ,
কপিলীৰ দুগ্ধ হেতু তব প্ৰাদুৰ্ভাব ।
( জয় নমো সদাশিৱ ) ।
(২) বিল্বেশ্বৰ বামভাগে আছয় পাৰ্ব্বতী,
কপিলীৰ দুগ্ধ দেখি বিল্বাচলে স্থিতি,
জয় নমো বিল্বেশ্বৰ ।
(৩) এ—জয় শিৱ, এ—জয় জগত জীৱ
এ জয় শিৱ এ—
এ জয় নমো মহেশ্বয় ॥

## ( গীত ও নাম ) ও সংকীৰ্ত্তন

নমো মহেশ্বৰ,  ভালে শশীধৰ,
জটামধ্যে মন্দাকিনী
বামভাগে স্থিতি,  আপুনি পাৰ্ব্বতী,
যাৰ নাম দাক্ষায়নী ॥
(৪) বৃষভে চৰিয়া ত্ৰিশূল ধৰিয়া, সদা ফুৰে মহাদেৱ ॥
হে ৰাম ৰাম বৃষভে চৰিয়া ॥

---

শ্ৰীশ্ৰীকামাখ্যায়ৈ নমঃ ।

## কামাখ্যা বন্দনা ।

কামাখ্যা কামদা,  সৰ্ব্বত্ৰ সিদ্ধিদা,
জয় জয় দাক্ষায়নী ॥

---

### পদ ।

সূৰ্য্য চন্দ্ৰ যুত,  কৰ্ণ বিলসিত,
কুঙ্কুম পীত বৰণী ।
কনক ৰচিত,  হাৰে বিভূষিত,
চাৰু কণ্ঠ কম্বু জিনি

লোল জিহ্বাগোট, ত্ৰিনেত্ৰ শোভিত,
অভয় বৰদ হস্ত।
অক্ষসূত্ৰ আৰ, হস্তে শোভে যাৰ,
প্ৰণমে দেৱ সমস্ত॥
ত্ৰিদশ নৰেশে, ভাৱয় বিশেষে,
এই সিদ্ধ কামেশ্বৰী।
অৰুন নলিনী, ৰক্ত পদ্মাসনী,
নবীন যৌবন ধাৰী॥
পদ যুগ স্থিত, শৱহৃদয়ত,
সদা মুক্ত কেশদাম।
শিশু ৰবি সম, অৰুণ বসন,
সৰ্ব্ব কামেশ্বৰী নাম॥
সহাস্য বদনা, কোৰক দশনা,
বিপুল সম্পদ দাত্ৰী।
স্নিগ্ধ চাৰু কেশ, কুঞ্চিত সুৱেশ,
অনন্ত জগত ধাত্ৰী॥
উচ্চত থাকিয়া, ভক্তি নম্ৰ হিয়া,
সূৰ্য্য চন্দ্ৰ হেন দেৱে।
নমে পদ যাৰে, জীৱন সঞ্চাৰে,
কটাক্ষতে কাম দেৱে॥
পৱন গামিনী, নীলাদ্ৰি বাসিনী,
যোনি মুদ্ৰা স্বৰূপিনী।

এই অষ্ট ভাগে, সুর-নৰ-নাগে,
চিন্তে পদ দুই খানি ॥
শত সূৰ্য্য সম, ৰুচি অনুপম,
প্ৰদীপ্ত অগ্নি প্ৰকাশ ।
ধৰ্ম্ম অৰ্থ কাম, পায় মোক্ষ ধাম.
অন্তেতে কৈলাসে বাস ॥
দেৱীৰ কৃপায়, সৰ্ব্ব সুখ পায়,
কদাপি ক্লেশ ন হয় ।
ভাবা সৰ্ব্বজন, কামাখ্যা চৰণ.
অৱশ্যে মোক্ষ পাৱয় ॥
বটুনাথ ভণে, কামাখ্যা চৰণে,
সংসাৰ ক্লেশিত কায় ।
ভূদেৱ সন্তান, অতীব অজ্ঞান,
অন্তে তব পদ পায় ॥

( নাম )

(১) আই ভৱানি, এ তুমি দাক্ষায়নী ।
প্ৰাণক ত্যজিলা তুমি স্বামী নিন্দা শুনি ॥

(২) ওমা কামাখ্যা ওমা নীলাচলে স্থিতি ।
তোমাৰ চৰণ পূজে ব্ৰহ্মা পশুপতি
ওমা কামাখ্যা ও ॥

(৩) নীলাচলো পৰে, সতী অঙ্গ পৰে,
কামাখ্যা যাহাৰ নাম।
কামাখ্যা চৰণে, পূজে যিটো জনে,
সিদ্ধি হয় মনস্কাম ॥

( গীত ও নাম )

(৪) মৃগেন্দ্ৰ বাহিনী, নগেন্দ্ৰ নন্দিনী,
তুমি দেৱী দাক্ষায়নী।
নীলাচলে তুমি, কামাখ্যা ৰূপিনী,
কুঙ্কুম পীত বৰনী ॥

---

## কামাখ্যা ( গীত ও সংকীৰ্ত্তন )

যাৰ নাম সতী, নীলাচলে স্থিতি,
দক্ষযজ্ঞ বিনাশিনী।
তুমি দাক্ষায়নী, আত্ম বিঘাতিনী,
স্বামী নিন্দা কৰ্ণে শুনি ॥

( নাম ও গীত )

শুম্ভ বিনাশিনী ( দেবী ) নিশুম্ভ ঘাতিনী।
ৰক্তবীজ নিসূদনী, চণ্ড প্ৰমথিনী ॥

## গীত।

কামাখ্যামা নীলাচলে ব্ৰজে কাত্যায়নী।
দক্ষঘৰে দাক্ষায়নী কৈলাসে ভবানী॥

—**—

শ্ৰীশ্ৰীদুৰ্গায়ৈ নমঃ।

জগত তাৰিনী দুৰ্গা দুৰ্গতি নাশিনী।
সৰ্ব্বলোকে কৰে পূজা চৰণ দুখনি॥

## পদ।

সুৰথে পুছিলন্ত মেধসক প্ৰতি।
কোন বা উপায়ে দুৰ্গা লভিব সম্প্ৰতি॥
মেধস কহিল সুৰ থক দয়া কৰি।
দুৰ্গাৰ মহিমা গুণ বৰ্ণিতে নোৱাৰি।
প্ৰসন্ন হইয়া বৰ দিয়ে দেৱগণে।
বৰ দান হেতু দুৰ্গা বধে দৈত্যগণে॥
মেধস বুলিলা পিছে সুৰথৰ প্ৰতি।
ভবানী চৰণ বিনে অন্যে নাহি গতি॥

পূজিয়ো আপুনি ৰাজা দুর্গতি নাশিনী !
তোমাক হইবে তুষ্ট আপুনি ভবানী ॥
প্ৰথমে কৰিয়ো ৰাজা কায় কাষ্টামন ।
গন্ধ পুষ্প ধূপ দীপ কৰা আয়োজন ॥
মুনি বাক্য শুনি ৰাজা গৈলা নদী তীৰ ।
স্বহস্তে নির্মান মুৰ্ত্তি কৰিলা দুর্গাৰ ॥
যথাশক্তি আসনাদি ষোড়শোপচাৰে ।
দেবীৰ চৰণ পূজে অতি ভক্তি ভৰে ॥
ছাগ পশু মহিষ যে হংস পাৰাৱত ।
আপোন শৰীৰ ৰক্ত দিয়ে যে বহুত ॥
হেন মতে পূজা কৰে সুৰথ ৰাজন্ ।
ত্ৰেতাতে কৰয় ৰামে শৰতে বোধন ॥
কলিৰ মনুষ্য আমি কি আছে আমাৰ ।
কি দিয়া কৰিব পূজা চৰণে তোমাৰ ॥
অল্প মাত্ৰ গন্ধ পুষ্প ধূপ দীপ আনি !
তোমাৰ চৰণ পদ্মে সমৰ্পিলোঁ আমি ॥
পুত্ৰ সম ৰক্ষা কৰা ভক্তিহীন জনে ।
ভক্তি যেন থাকে সদা তব শ্ৰীচৰণে ॥
দ্বিজ বটুনাথ বোলে বন্দিয়া ভৱানী ।
অন্ত কালে তব পদে স্থান দে জননী ॥
বনগ্ৰাম বাস হয় অতি অল্পমতি ।
তোমাৰ চৰণে মাতা মাগোঁহো ভকতি ॥

## [ গীত ] ও সংকীৰ্ত্তন।

১ নং কি দিয়া পুজিব মাতা কি আছে আমাৰ।
ধন জন আদি কৰি সকলো তোমাৰ॥

২ নং পৰ্য্যু্যষিত অন্ন আৰ দগ্ধ পাৰাৱত।
তাক খাই সুখে দুৰ্গা যায় কৈলাসক॥

—*—

## [ নাম ]

১ নং হাতে ত্ৰিশূল লৈ আছে ভৱানী।
মহিষ মৰ্দ্দিনী সিংহ বাহিনী॥

২ নং জয় জয় নাৰায়নী দুৰ্গতি নাশিনী।
( দুৰ্গতি নাশিনী ) সঙ্কটে কৰিও ৰক্ষা
তুমি নাৰায়নী॥

—•—

RAI SAHIB HANUMAN BUX KANOI LIBRARY
No..............
Date..............
*DIBRUGARH COLLEGE.*

# শ্রীশ্রীদুর্গাৰ বন্দনা ॥

জয় দুর্গাভবানী মহিষ মর্দ্দিনী।
জয় নমো নাৰায়নী ॥

পদ।

জটাযুত শিৰ অৰ্দ্ধেন্দু শেখৰ
নয়ন ত্ৰিতয় শোভা।
পূর্ণেন্দু সদৃশ বদন প্রকাশ
সুতপ্ত কাঞ্চন আভা ॥
সুপ্রতিষ্ঠ দেহা দৃষ্টি মনো মোহা
আতিকে নব যৌৱন।
সৰ্ব্ব অলঙ্কাৰে কিবা শোভা কৰে
অতীৱ চাৰু দশন ॥
পীন পয়োধৰ যোগী মনোহৰ
ত্ৰিভঙ্গ ভঙ্গিমা যাৰ।
মহিষ মৰ্দ্দিনী শুম্ভ বিনাশিনী
দশ ভূজ মনোহৰ ॥
ভূজ দশ খান মৃণাল সমান
দশ অস্ত্ৰে শোভাকৰে।
দক্ষিনে ত্ৰিশূল খড়্গ চক্ৰ আৰ
তীক্ষ্ণ বান শক্তি ধৰে ॥

খেট পূৰ্ণ চাপ পাশযে অঙ্কুশ
ঘণ্টা বাম কৰ তলে।
বিচ্ছিন্ন মস্তক মহিষ কণ্ঠক
ভেদি দেবী পদ মূলে॥
দৈত্য আবিভূ ত দেবী শূল ক্ষত
বক্ষত নিৰ্গত অস্ত্ৰ।
ৰক্তাৰক্তীকৃত সৰ্ব্ব শৰীৰত
ৰক্ত বহে নয়নত।
ভুজঙ্গ পাশেৰে বেষ্টিত শৰীৰে
ভ্ৰূকুটি ভীষণানন্।
বাম হস্তে পাশে আৰু দৈত্য কেশে
কৰে দেৱী আকৰ্ষন॥
ৰুধিৰ বমন দেৱীৰ বাহন
সিংহৰ মুখে শোভয়।
দুৰ্গা দক্ষ পদ সিংহৰ পৃষ্ঠত
ৰক্ত পদ্মে বিৰাজয়॥
ৰাম পদাঙ্গুষ্ঠ কান্ধে সুপ্ৰতিষ্ঠ
কিঞ্চিদূৰ্দ্ধে মহিষৰে।
মিলি দেবগণ হুয়া এক মন
এইৰূপ ধ্যান কৰে॥

পূৰে উগ্ৰচণ্ডা অগ্নিতে প্ৰচণ্ডা
চণ্ডোগ্ৰা দক্ষিণ দিশে।
নৈঋত অংশিকা চণ্ডাযে নায়িকা
চণ্ডাযে পশ্চিম দিশে ॥
আৰু চণ্ডাবতী বায়ব্যেতেস্থিতি
চণ্ডৰূপা উত্তৰেতে।
অতি চণ্ডিকায় ঐশান্যে থাকয়
দুৰ্গাযে মধ্যস্থানতে ॥
এনুৱা দুৰ্গাৰ চিন্তে যিটো নৰ
ঐ ৰক্ত পদ কমল ॥
ধৰ্ম্ম অৰ্থ কাম পায় মোক্ষ ধাম
তাহাৰ জন্ম সফল ॥
চক্ৰবৰ্ত্তী দ্বিজ জীৱনাথাঙ্গজ
বটুনাথ নাম ধৰ।
অজ্ঞান অধম বনগ্ৰামে ধাম
ভৃগুবংশে জন্ম মোৰ ॥

( গীত )

১ নং আই ভগবতী আই তোমাৰ কৈলাসতে ঠাই
সিংহে চৰিয়া মৰ্ত্ত্যেতে আসিয়া
ফুৰা নানা পূজা খাই।

২ নং হিমালয় ঘৰে মেনকা উদৰে
তোমাৰ নাম উমা আছিলা।
কৈলাশ শিখৰে শিৱৰ মন্দিৰে
তব নাম ছুৰ্গা ভৈলা ॥

**নাম ও গীত ॥ সংকীৰ্ত্তন।**

মৃগেন্দ্ৰ বাহিনী নগেন্দ্ৰ নন্দিনী
তুমি দেবী দাক্ষায়নী।
নীলাচলে তুমি কামাখ্যা ৰূপিনী
কুমকুম পীতবৰণী ॥

---

শ্ৰীশ্ৰীচণ্ডিকায়ৈ নমঃ ॥

# শ্ৰীচণ্ডী কৱচ।

**বন্দনা**

নবছুৰ্গা মহামায়া শিৱৰ ঘৰুনী।
গনেশ কাৰ্ত্তিক মাতা দেবী কাত্যায়নী ॥

**পদ।**

মাৰ্কণ্ডেয় কহিলেক ব্ৰহ্মাদেৱ প্ৰতি।
চণ্ডীৰ কৱচ সিদ্ধি কহিয়ো সম্প্ৰতি ॥

কোনোবা প্ৰকাৰে সিদ্ধি নেজানোহো মই ।
সি সকল কথা প্ৰভূ কহা সমুদাই ॥
ব্ৰহ্মা বুলিলেক পাছে মাৰ্কণ্ডেয় ঠাই ।
অতি গুহ্যতম নাম শুনিয়ো নিশ্চই ॥
যাহাৰ পাঠতে হয় পুণ্যৰ উদয় ।
সি সকল কথা মই কওঁ সমুদয় ॥
শৈল পুত্ৰী নাম হয় প্ৰথমে দেবীৰ ।
দ্বিতীয়ে ব্ৰহ্ম চাৰিণী নাম পাৰ্ব্বতীৰ ॥
তৃতীয়তে চন্দ্ৰ ঘণ্টা, কুষ্মাণ্ডা চতুৰ্থে ।
পঞ্চমতে স্কন্দমাতা কাত্যায়নী ষষ্ঠে ॥
কালৰাত্ৰী সপ্তমে, অষ্টমে মহাগৌৰী ।
সিদ্ধি দাত্ৰী নৱ দুৰ্গা জানা নিষ্ঠা কৰি ॥
এহি নব নাম পাঠে সৰ্ব্বসিদ্ধি হয় ।
মনৰ বাসনা সিদ্ধি জানিও নিশ্চয় ॥
অগ্নিৰ মধ্যত পৰি জপি এই নাম ।
বিষম দুৰ্গমে স্মৰি পায় পৰিত্ৰাণ ॥
চণ্ডীৰ কৱচ এই যি কৰে পঠন ।
অপমৃত্যু নাশ তাৰ হয় সৰ্ব্বক্ষণ ॥
মহাবৈৰী মধ্যে ৰণে পৰে যেই জন ।
সকলো ভয়তে ৰক্ষা পায় সেহি ক্ষণ ॥
সঙ্কটত মুক্তি আৰু মৃতে মোক্ষ পায় ।
চণ্ডীৰ কৱচ ব্ৰহ্মা হৰি হৰে গায় ॥

এই স্তৱ লিখে ব্যাসে মাৰ্কণ্ড পুৰাণে।
পয়াৰ ছন্দত মই কৰিলোঁ ব্যাখ্যানে ॥
এক বাৰ মুখে বোলা দুৰ্গা দুৰ্গা নাম ।
দ্বিজ বটুনাথ কহে বাস বনগ্ৰাম ॥
ভকতি বিহীন মই অতি অল্প মতি।
দুৰ্গাৰ চৰণে সদা মাগোঁ হো ভকতি ॥

———

( গীত )

কামাখ্যা মা নীলাচলে, ব্ৰজে কাত্যায়নী ।
দক্ষ ঘৰে দাক্ষায়নী কৈলাসে ভবানী ॥

———

নাম ও গীত

নবদুৰ্গা মহামায়া শিৱৰঘৰুণী ।
ব্ৰহ্মা আদি দেবে সেবে চৰণ দুখানী ॥

———

শ্রীশ্রীপদ্মকুমাৰ্য্যৈ নমঃ ॥

# শ্রীশ্রীপদ্ম কুমাৰী বন্দনা ॥

বন্দোঁ বিষহৰী শিৱৰ কুমাৰী
আস্তিক মুনি জননী ॥

---

## পদ ।

দেবী পদ্মাবতী ভক্ত জন প্রতি
অভীষ্ট ফল দায়িনী ।
তুমি ত্রিনয়নী, বাহু চাৰিখিনি,
কিৰীট অতি শুৱঁনী ।
দেবী বিষহৰী, নাম যাৰ গৌৰী,
নীল নাগ কেশে ধৰে ।
তক্ষক অনন্ত, বাসুকী শোভন্ত;
মুকুট চন্দ্র শেখৰে ॥
কুলিক যে নাগে, বাম শ্রুতি ভাগে,
সততে শোভা কৰয় ।
তপ্ত কাঞ্চনৰ, দীপ্ত কান্তি বৰ-,
নাগে উপবীত হয় ॥

তুই দক্ষ কৰে, কেয়ূৰ ৰূপেৰে,
জ্বলে বৰা শঙ্খপাল।
কম্বল নাগৰ, কেয়ূৰ সুন্দৰ,
বামে যেন ধূম্ৰজাল ॥
সুন্দৰ শুৱনী, বিষ বিনাশিনী,
সুবৰ্ণ বৰ্ণে কঙ্কন।
কুন্দ বৰ্ণ নাগে, সূত্ৰ কটি ভাগে,
ৰক্ত বস্ত্ৰ পৰিধান ॥
পদ্মৰ আসনে, স্থিতি সৰ্ব্বক্ষণে,
হংস ৰথ বিহাৰিনী।
মই মূঢ় মতি, নাজানোঁ ভকতি,
তুমি মা নাগ ভগিনী ॥
চক্ৰবৰ্ত্তী দ্বিজ, ভাৰ্গব গোত্ৰজ,
ৰচিল পদ্মাৰ ধ্যান।
বটু নাথ নাম, বনগ্ৰামে ধাম,
ভাবাঁ পদ্মাৱতী নাম ॥

———

## ( গীত ) ও সংকীৰ্ত্তন।

(১) হংস যানে চৰি, আছে বিষহৰী,
সৰ্ব্ব নাগ গণে বেঢ়ি।
তোমাৰ চৰণে, পূজে যিটো জনে,
ৰাখাঁ তাক নাগেশ্বৰী ॥

(২) আই পদ্মাৱতী আই, তোমাৰ পদ্মবনে ঠাই,
হংস যানে চৰি অষ্ট নাগে বেঢ়ি।
ফুৰানানা পূজা খায়॥

(নাম)

পদ্মাৱতী আই তুমি আস্তিক জননী।
পাতাল বাসিনী নাম, নাগৰ ভগিনী॥

---

## শ্রীশ্রীপদ্মা বন্দনা।

(২নং) বন্দোঁ পদ্মাবতী হংস যানে গতি
পদ্ম বনে হয় যাৰ স্থিতি॥

**পদ।**

জৰৎকাৰু মুনি জায়া আস্তিক জননী।
শিৱৰ ঔৰসে জন্ম নাগৰ ভগিনী॥
নাগকুল ৰক্ষা হেতু তোমাৰ জনম।
নাগেশ্বৰী নাম হয় সেইহে কাৰণ॥
পদ্মবনে জন্ম হেতু নাম পদ্মাবতী।
সৰ্ব্বদা তোমাৰ ৰূপ ষোড়শী যুৱতী॥
বিষ বিনাশিনী বুলি নাম বিষহৰী।
জগত মঙ্গল হেতু কহে জগদ্ গৌৰী॥

নাগকুল ৰক্ষা হেতু কহে নাগ মাতা।
অনন্তাদি নাগে ধৰি থাকে দণ্ড ছাতা ॥
মনস্কাম পূর্ণ কৰাঁ সেইহে মনসা।
স্নুহী বৃক্ষে আই তুমি সদা কৰা বাসা ॥
নয়ন ত্রিতয় হেতু নাম ত্রিনয়নী।
জগত পালন কর্ত্রী জগত জননী ॥
ভক্তৰ মানস সিদ্ধি কৰাৰ কাৰণ।
সিদ্ধিদাত্রী নাম হয় শাস্ত্রৰ বচন ॥
পদ্মাৰ দ্বাদশ নাম যে কৰে পঠন।
মনৰ মানস সিদ্ধি হয় সৰ্ব্বক্ষণ ॥
পদ্মপুৰানত আছে এই পদ্মা নাম।
ত্রিসন্ধ্যা পাঠতে হয় সিদ্ধ মনস্কাম ॥
শ্লোক ছন্দে বিৰচিত পদ্ম যে পুৰাণ।
পয়াঁৰ ছন্দেতে মই কৰিলো ৰচন ॥
দ্বিজ চক্রবৰ্ত্তী কহে বটুনাথ নাম।
ভাৰ্গৱ গোত্রত জন্ম বাস বনগ্রাম ॥

নাম ও গীত ॥

জয় নমো বিষ হৰি শিবৰ কুমাৰী।
পাতাল বাসিনী নাম নাগেৰ ভগিনী
আই পদ্মাবতী আই তোমাৰ পদ্মবনে ঠাই।
হংশযানে চৰি অষ্টনাগে বেঢ়ি
যুৰা নানা পূজা খায়

# শ্ৰী শ্ৰীকালী বন্দান।

( ১নং ) বন্দোঁ শ্যামা কালী, দেবী মুণ্ডমালী,
সঙ্গে ফুৰে ডাকিনী যোগিনী।

( ২নং ) বন্দো শ্যামা কালী, দেবী মুণ্ডমালী,
শ্মশানালয় বাসিনী ॥

পদ।

কৰাল বদনী শিৰৰ ঘৰুনী
ঘোৰ ৰূপ বিদ্যমান।
আউল সব কেশ চতুৰ্ভূজ বেশ
দক্ষিণ কালিকা নাম ॥
মুণ্ডমালা গলে সদা শোভা কৰে
বাম হস্তে ছিন্ন শিৰ।
বাম উৰ্দ্ধ কৰে মহাখড়্গ ধৰে
শোভা কৰে শঙ্কৰীৰ ॥
দক্ষিনোৰ্দ্ধকৰ বৰদান পৰ
অধোহস্তে ভয় হাৰী।
মহা মেঘ সম ৰূপ অনুপম
সদা হয় দিগম্বৰী ॥

কণ্ঠত লম্বিত মূণ্ডালি গলিত
রুধিৰ চৰ্চ্চিত অঙ্গ ।
শব বিসঙ্কট দুকৰ্ণে দুগোট
কুণ্ডলক কৰে ব্যঙ্গ ॥
বিকট দশন কৰাল বদন
পীনোন্নত পয়োধৰ ।
শৱ হস্ত আনি কাঞ্চি ৰূপে তুমি
পিন্ধি আছা কটি পৰ ॥
হাসি মুখ প্ৰান্ত গলিত শোনিত
ৰঞ্জিত বদন খনি ।
ঘোৰ ৰাৱকৰী মহা ভয়ঙ্কৰী
শ্মশানালয় বাসিনী ॥
বাল সূৰ্য্য সম জ্বলি ত্ৰিনয়ন
অতি উচ্চ ঘোৰ দন্ত ।
মুক্তা হাৰ চুম্বি দক্ষিনত লম্বি
চিকুৰে শোভা কৰন্ত ।
শৱ ৰূপ শিৱ, প্ৰভু মহাদেৱ,
হৃদয়তে অধিষ্ঠান ।
চতুৰ্দ্দিশে বেঢ়ি, ঘোৰ ৰাৱ কাৰী,
ফুৰয় শৃগালগণ ॥
মহাকাল সঙ্গে, ৰতি ৰস ৰঙ্গে,
ৰতি পতি বিনোদিনী ।

স্থখিত প্রসন্ন, সহাস্য বদন,
রক্ত পদ্ম শোভা জিনি ॥
হেন কালী পদ অভয় বৰদ;
চিন্তা কৰে যেই জন।
ধৰ্ম্ম অৰ্থ কাম, লভে মোক্ষ ধাম,
কালিকা কৃপা কাৰণ ॥
তুমি নাৰায়নী. মহেশ ঘৰুণী,
তোমাৰ চামুণ্ডা নাম।
না জানোঁ মিনতি, কৰোঁহো প্ৰণতি,
তব পদে দিয়া স্থান ॥
চক্ৰবৰ্ত্তী দ্বিজ, জীৱ নাথাঙ্গজ,
ৰচে বটুনাথে দ্বিজে।
কালিকা বন্দন, হইল ৰচন,
ঘুষিও "কালী" সমাজে ॥
বনগ্ৰামে বাস, কালী পদ আশ,
সদায়ে মনত জাগে।
শুনা সাধু জন, ত্যজা অন্যমন,
কালী পদ ভজা আগে ॥

---

গীত।

জয় জয় কালী, দেবী মুণ্ডমালী,
(জয়) জয় নমো মহেশ্বৰী ॥

( নাম ) ও সংকীৰ্ত্তন।

হাতে খড়্গা ধৰি বিমুক্ত কেশী।
নাচে ৰণস্থলে উলঙ্গ বেশী॥

---

( ২ ) কালী বন্দনা

কালী কৰাল বদনী।
শিৱ হৃদে শোভে পদ শ্মশান বাসিনী॥

---

পয়াৰ॥

SAHIB HANUMAN BUX KANOI
No.........
Date.........
DIBRUGARH COLLEGE.

কৰাল বদনী দেবী উলঙ্গ বেশিনী।
খড়্গা মুণ্ড বৰাভয় ভূজচাৰিখানি॥
গলে লম্বে মুণ্ডমালা সুন্দৰ দৰ্শন।
ঘোৰতৰ মূৰ্ত্তি দেখি কম্পে দৈত্যগণ॥
উলঙ্গ বেশিনী তুমি শ্মশান বাসিনী।
চৰণ তলতে শুই আছে শূলপানি।
ছিদ্ৰ পায়া চণ্ডমুণ্ড বধি আছ' তুমি।
জগত তাৰিণী নামে ৰটে স্বৰ্গভূমি॥
ঝুনঝুন শব্দে বাজে চৰণে নুপূৰ।
কোকনদ জিনি পদ নব নাগ সুৰ।
নিয়মে পূজয় মাত একান্ত অন্তৰে।
টলবল কৰে ভূমি তব পদ ভৰে॥

ঠৰে ধৰে বহি স্তুতি কৰে দেৱ সৱে।
ডাৰিম্ব কুসুম সম ওষ্ঠাধৰ শোভে॥
ঢাক ঢোল বাদ্যে তব প্ৰীতি হয় মনে।
নমস্কাৰ কৰোঁ মাতৃ! তোমাৰ চৰণে॥
তোমাৰ চৰণে সদা ভক্তি মাগো আমি।
থমকিছ পদ তলে দেখি নিজ স্বামী॥
দয়া কৰা শ্যামা কালী হইয়া সুস্থিৰে।
ধৰণী কম্পিত হয় চৰণৰ ভৰে॥
নৰ-কৰ মেখলায়ে কঙ্কাল শোভিত।
পীনোন্নত পয়োধৰ বিশাল বক্ষত॥
ফাফৰ ৰণত হয় যত দৈত্য সৱ।
বহু আড়ম্বৰে পূজে ব্ৰহ্মা আদি দেব॥
ভক্তাধীন হোৱা মাতা ভক্তৰ জীবনী।
মায়াতীতে পায় তব চৰণ দুখানী॥
ডাকিনী যোগিনী সঙ্গে ফুৰাঁহ সদায়।
ৰুধিৰ মাংসই তব প্ৰীতি ওপোজায়॥
লহ লহ জিহ্বা মেলি ৰণে ফুৰা ঘুৰি।
বহয় মলয় বায়ু তব শিৰোপৰি॥
শব ৰূপ শিৱ হৃদি পদ তল খিনি।
ষড়াণন মাতা দক্ষ যজ্ঞ বিনাশিনী।
সকলোৰে পূজিবৰে নহয় শকতি।
হুলাহুলি দিয়া পূজে যতেক মুৰতী॥

ক্ষমা কৰা শ্যামা কালী অধম জনৰে ।
শৰণ পশিলোঁ মাতা ৰক্ষা কৰাঁ মোৰে ॥
চক্রবর্ত্তী দ্বিজৱৰ ভেক নাম ধৰে ।
নীলাচলে থাকি সদা পূজে কামাখ্যাৰে ॥
তাঁহাৰ বংশত জন্ম বটুনাথ নাম ।
দীননাথাত্মজ হয় বাস বনগ্রাম ॥

———

( ১ ) গীত ।

আই মহাকালী আই—
তোমাৰ শ্মশানতে ঠাই
মহাকাল সঙ্গে ফুৰা ৰতি ৰঙ্গে
ডাকিনী যোগিনী লৈ ॥

( ২ ) গীত ।

কৰাল বদনী কালী উলঙ্গ বেশিনী ।
খড়্গ মুণ্ড বৰাভয় শোভে চাৰি পানি ॥

( ৩ ) গীত ।

শ্যামা কালী ৰক্ষাকালী এ—দক্ষিণ কালিকা ॥
মুণ্ডমালা দুলে গলে কর্ণে যুগ্ম শৱ ॥

( ৪ ) নাম।

কালী কৰাল বদনী।
শৱহৃদি এক পদ উলঙ্গ বেশিনী ॥

( ৫ ) জয় জয় কালী, দেবী মুণ্ডমালী,
যাঁহাৰ চৰণ ভৰে কম্পিত ধৰণী ॥

---

# শ্ৰীশ্ৰীলক্ষ্মী বন্দনা।

( ১ ) বন্দোঁ লক্ষ্মী মহামায়া গৌৰ বৰ্ণ বিষ্ণুজায়া
নমো লক্ষ্মী জগত জননী ॥

## ত্ৰিপদী।

নবীন বয়স যাৰ সুযৌৱন চিৰকাল
স্থূল যাৰ হয় গণ্ডস্থল।
পক্কবিম্ব ফল প্ৰায় ওষ্ঠাধৰ শোভা হয়
আকুঞ্চিত ভ্ৰূলতা যুগল ॥
পীনোন্নত স্তন দুই অতি শোভা তটী হয়
মণিকুণ্ডলেতে শোভা কৰে।
বৰ্ত্তুল যে মুখ খান শিৰ সীমন্ত ভূষণ
পদ্ম যে স্বস্তিক দুই ধৰে ॥

সুবৰ্ণ কুণ্ডল দুই দুই কৰ্ণে শোভাপায়
কঞ্চুক আবদ্ধ দেহ যাৰ।
পীন পয়োধৰ পৰে হাৰ সদা শোভাকৰে
দেখি লাগে অতি চমৎকাৰ॥
মৃণাল সদৃশ কৰ কেয়ুৰ কটকোজ্বল
পদ্ম আৰু শ্ৰীফল ধাৰিণী।
মেখলা ভৰণ শোভা তপ্ত কাঞ্চনৰ আভা
নানা অলঙ্কাৰে সুশোভনী॥
সুশোভন বস্ত্ৰখান শৰীৰৰ পৰিধান
তাকে দেখি ভূলে নাৰায়ণ।
দুই পাৰ্শ্বে দুই নাৰী থাকয় চামৰ ধৰি
পদ্মৰ আসনে অধিষ্ঠান॥
দুই হস্তী শুণ্ড দিয়া সততে ভৃঙ্গাৰ লৈয়া
যাহাৰ কৰায় সদা স্নান।
স্নেহ স্পৰ্শে দুই কৰী থাকে যাকে সেৱা কৰি
তুমি মাতা জগত কাৰণ॥
গন্ধৰ্ব্ব কিন্নৰ নৰে স্তুতি কৰে সুৰাসুৰে
এই পদে ভক্তি হৌক মোৰ।
দ্বিজ বটুনাথে বোলে কমলাৰ পদতলে
বনগ্ৰামে বাস হয় যাৰ॥

HANUMAN BUX KANOI L
No

## নাম।

আই লক্ষ্মী কমলা এ—
এ পদ্মবনে স্থিতি
দুই হস্তি গা ধুৱাই ইন্দ্রৰ সহিতি ॥
আই কমলা ( এ )

## ( ২নং ) শ্রীশ্রীলক্ষ্মী বন্দনা।

নমো লক্ষ্মী মহামায়া তুমি বিষ্ণুজায়া।
পদ্মৰ আসনে তুমি থাকহ বসিয়া ॥

## পদ।

সাগৰ মধ্যত তুমি আছা লুকাইয়া।
দুৰ্ব্বাসাৰ শাপ হেতু ইন্দ্রক ত্যজিয়া ॥
ইন্দ্রক এৰিয়া গৈয়া সাগেৰে থাকিলা।
তব হেতু দেৱ দৈত্যে সমুদ্র মথিলা ॥
ধন্বন্তৰী উঠে ঘট লৈয়া অমৃতৰ।
তাক দেখি দেৱগণ আনন্দ অন্তৰ ॥
মন্থনে উঠিলা দেবী জগত ঈশ্বৰী।
বৈকুণ্ঠেতে লৈয়া যায় আপুনি শ্রীহৰি ॥
আৰু উঠে ঐৰাৱত উচ্চৈঃশ্রবা হয়।
পাৰিজাত পুষ্প তৰু তাতে ইন্দ্রে পায় ॥
সেইকাল ধৰি ইন্দ্রে দিয়াছ অভয়।
ইন্দ্রসহ সকলোৱে তোমাকে পূজয় ॥

বাম পাৰ্শ্বে ইন্দ্ৰানীয়ে ধৰয় উৎপল।
দুই নাৰী চামৰেতে বিঞ্চে চিৰকাল॥
তযু এইৰূপ দেখিলন্ত সুৰেশ্বৰ।
ইন্দ্ৰসহ গৈলা তুমি অমৰ নগৰ।
ইন্দ্ৰসহ স্বৰ্গে পূজে যত সুৰাসুৰে।
মৰ্ত্ত্যতে পূজয় মাতা মনুষ্য সকলে॥
তব গুণ বৰ্ণাইতে নাহিকে শকতি।
তোমাৰ চৰণে মাতা মাগোঁহো ভকতি॥
দীননাথানুজ হয় অতি অল্পাভ্যাস।
বটুনাথ নাম ধেয় বনগ্ৰামে বাস॥
দোষাদোষ নধৰিবা অতি অল্পমতি।
কমলা চৰণে সদা মাগোঁহো ভকতি॥

## ( গীত ) ও সংকীৰ্ত্তন।

আই মহালক্ষ্মী আই তোমাৰ পদ্মবনে ঠাই
পদ্মবন এৰি ইন্দ্ৰ সঙ্গে কৰি ফুৰা মৰ্ত্তে পূজা খায়॥

## ( নাম )

আই লক্ষ্মী কমলা এ পদ্মবনে স্থিতি।
দুই হস্তী গা ধুৱাই ইন্দ্ৰই সহিতি॥

শ্রীশ্রীবাঘেশ্বর্য্যৈ নমঃ।

# শ্রীশ্রীবাঘেশ্বৰী বন্দনা ॥

বন্দোঁ বাঘেশ্বৰী সদা সিংহোপৰি
দেবগণে আছে বেঢ়ি ॥

## লঘূ ত্রিপদী।

কাল মেঘ সম ৰূপ অনুপম
কটাক্ষে শত্রু দলনী।
অৰ্দ্ধচন্দ্র ভালে সদা শোভা করে
শোভে ভুজ চাৰিখানি।।
দক্ষে শঙ্খ চক্র বামে অসি শূল
প্রকাশয় সৰ্ব্বক্ষণ।
ত্রিতয় লোচন শোভে অনুক্ষণ
সূৰ্য্য চন্দ্র অগ্নি সম ॥
সদা সিংহোপৰি দেবী বাঘেশ্বৰী
ত্রিজগত দীপ্তি ক'ৰি।
সবদেৱে বেঢ়ি দেবী বাঘেশ্বৰী
মনোবাঞ্ছা পূর্ণকাৰী ॥
বাঘেশ্বৰী ধ্যান হইল ৰচন
মুখে কহ দুর্গা নাম।
বটুনাথ দ্বিজ দিন নাথানুজ
বাস হয ৰনগ্ৰাম ॥

## নাম ও গীত ॥ সংকীৰ্ত্তন ।

মৃগেন্দ্ৰ বাহিনী নগেন্দ্ৰ নন্দিনী
জয় দুৰ্গা বাঘেশ্বৰী ॥

---

## গীত ॥

আই বাঘেশ্বৰী দেৱ বাঁহগুৰি
তব প্ৰাদুৰ্ভাব ঠাই ।
গোপাল সকলে গো চাৰণ কালে
পূজয় পতঙ্গ লই ॥

## নাম ।

বাঘেশ্বৰী মহা মায়া খ্যাত ভৈলা তুমি ।
তব প্ৰাদুৰ্ভাব হয় দেৱ বাঁহৰ গুৰি ॥

—**—

# শ্ৰীশ্ৰীজয়দুৰ্গা বন্দনা ।

জয় দুৰ্গা ভৱানী দেবী ত্ৰিনয়নী
জয় নমোঁ মহেশ্বৰী ॥

## পদ ।

বাহন সিংহৰ শশাঙ্ক শেখৰ
মৰকত কান্তি দেহা ।
ভুজ চাৰিখানি মহেশ ঘৰুণী
ৰূপ অতি মনো মোহা ॥

দক্ষে শঙ্খ চক্র বামে ধনুশৰ
সদায়ে শোভা কৰয় ।
ভালে ত্রিনয়ন শোভে অনুক্ষণ
আমুক্ত অঙ্গদ হয় ॥
গলে শোভে হাৰ অতি চমৎকাৰ
কঙ্কন শোভিত ভুজে ।
কটিত মেখলা চৰণে নূপুৰ
অতীব উজ্বল সাজে ।
দুর্গম তাৰিণী দুর্গতি নাশিনী
সর্ব্ব দুঃখ বিঘাতিনী ॥
ৰত্নৰ নির্ম্মিত কুণ্ডল দুগোট
কর্ণত কৰে শুৱনী ॥
মোৰে পদ ছায়া দিয়ো মা অভয়া
চৰণে কৰোঁ প্রণতি ।
মই অভাজন অতীব অজ্ঞান
তব পদে দিয়া স্থিতি ॥
চক্রবর্ত্তী দ্বিজ জীৱনাথঙ্গজ
বচে জয়দুর্গা ধ্যান ।
বটুনাথ নাম বাস বনগ্রাম
তব পদে দেহ স্থান ॥

## নাম ও গীত ও সংকীৰ্ত্তন।

শুম্ভ বিনাশিনী ( দেবী ) নিশুম্ভ ঘাতিনী।
ৰক্তবীজ নিসূদনী ( চণ্ড প্ৰমথিনী )॥

## গীত॥

আই ভগৱতী আই তোমাৰ কৈলাশতে ঠাই
সিংহে চৰিয়া মৰ্ত্ত্যেতে আসিয়া
ফুৰা নানা পূজা খায়॥

## ইন্দ্ৰ বন্দনা।

জয় নমোঁ পুৰন্দৰ স্থিতি ঐৰাবতে
যাহাৰ চৰণ সেৱে কমলা সহিতে।।

---

## পদ।

সহস্ৰ লোচন দেৱ স্বৰ্গৰ ঈশ্বৰ।
ঐৰাৱত হস্তী হয় বাহন যাহাৰ॥
কৰিকৰ সম উৰু ৱক্ষ যে বহল।
বদন পঙ্কজ শোভে অতি চমৎকাৰ॥
দীৰ্ঘতৰ হস্ত দুই দেখিতে সুন্দৰ।
কিৰীট শিৰত শোভে কৰ্ণত কুণ্ডল॥
গ্ৰীৱাতে সুৱৰ্ণ হাৰ কৰয় উজ্জ্বল।
কেয়ুৰ ভূষিত হস্ত কৰে জল মল॥

ৰক্তোৎপল ধাৰী শোভে নানা অলঙ্কাৰ।
দেৱতা গন্ধৰ্ব্বে পূজে চৰণ যাহাৰ ॥
গন্ধৰ্ব্বেতে গীত গায় নাচয় অপ্সৰী।
দুপাশে চামৰ ধৰি থাকে দুই নাৰী ॥
সিংহাসন গত সদা দেৱ পুৰন্দৰ।
বামেতে ইন্দ্ৰাণী ধৰি থাকয় উৎপল ॥
যাৰ অঙ্গে শোভা পায় সৰ্ব্ব সুলক্ষণ।
সৰ্ব্ব অলঙ্কাৰে শোভা কৰে অনুক্ষণ ॥
এইৰূপ ইন্দ্ৰে পূজা কৰে যিটো জন
স্থিৰ লক্ষ্মীলাভ হয় বেদৰ বচন ॥
ইন্দ্ৰৰ আদেশ পালি বৰ্ষে জলধৰ।
বৃষ্টি জল হেতু জন্মে নানা শস্য ফল ॥
দিব্য চক্ষু হীন মই অতি অভাজন।
বটুনাথ দেৱে ৰচে ইন্দ্ৰৰ বন্দন ॥
কামৰূপ ধামে জন্ম বাস বনগ্ৰাম।
চক্ৰবৰ্ত্তী বংশে মোৰ হইলেক জন্ম ॥
ইন্দ্ৰৰ চৰণে সদা কৰোঁ নমস্কাৰ।
জ্ঞান নাহি হৈল মোৰ গুৰু ভজিবাৰ ॥

---

নাম।

শচীপতি পুৰন্দৰ সহস্ৰ লোচন।
আন দেৱ সবে সেৱে যাহাৰ চৰণ ॥

## গীত ও সংকীৰ্ত্তন। বৰ গীত।

১। সহস্ৰ লোচন দেৱ গজেন্দ্ৰ বাহন।
যাহার হস্তত বজ্ৰ কৰিছে শোভন॥

২। সহস্ৰ লোচন দেৱ গজেন্দ্ৰ বাহন
অহল্যা হৰণ হেতু সহস্ৰ লোচন॥

---

# শ্ৰীকাৰ্ত্তিক বন্দনা।

জয় বন্দোঁ ষড়ানন যাৰ পিতা পঞ্চানন
ময়ুৰ বাহনে যাৰ গতি॥

### ত্ৰিপদি।

নমোঁ ষড়ানন দেৱ যাৰ পিতা মহাদেৱ
জয় নমোঁ দেৱ সেনাপতি।
শৰ বনে জন্ম হয় ষড়ানন নাম থয়
ময়ূৰ বাহনে যাৰ গতি॥
শোভে ধনুৰ্ব্বাণ হাতে 'তীক্ষ্ণ শক্তি সমন্বিতে
দেব বৈৰী নাশৰ কাৰণ।
ইন্দ্ৰ আদি দেবগণে আগে লৈয়া যায় ৰণে
দৈত্যগণ কৰে সংহাৰণ॥
ত্ৰিপুৰাদি দৈত্যগণে প্ৰকাৰে নাশিলা ৰণে
তোমা হেতু দৈত্যৰ নিধণ।
ছয়টি তোমাৰ মাতৃ কাত্যায়ণী পালয়িত্ৰী
ক্ৰৌঞ্চ দ্বীপে স্থিতি কোনক্ষণ॥

বটুনাথ দ্বিজ বোলে কাৰ্ত্তিকৰ পদতলে
বনগ্রামে হয় যে বসতি।
শুনা ওহে সাধুজন এই কাৰ্ত্তিক বন্দন
ঐ চৰণে মাগোঁহো ভকতি ॥

( গীত )

শৰবনে জন্ম ষড়ানন নাম
ময়ূৰ বাহন গতি।
তোমাৰ চৰণে সেৱি নাৰীগণে
হয় বহু পুত্রবতী ॥

( নাম ) ও সংকীৰ্ত্তন।

জয় নমো ষড়ানন পাৰ্ব্বতী নন্দন
শৰবনে জন্ম হেতু নাম ষড়ানন
জয় নমো ষড়ানন এ ॥

---

## শ্রীশ্রীসূৰ্য্য বন্দনা।

প্রণমো ভাস্কৰ অদিতি কুমাৰ
ত্রিলোক প্রকাশকাৰী ॥

পদ।

ওহে দিবাকৰ কাশ্যপ কুমাৰ
জবা পুষ্প জিনি শোভা।
জগতৰ সেব্য তুমি সূৰ্য্যদেৱ
সংসাৰক কৰা প্ৰভা ॥

আপুনি সবিতা ব্ৰহ্মাণ বন্দিতা
গায়ত্ৰী বেদতে গণি ।
সকল ব্ৰাহ্মণে বন্দয় চৰণে
তুমি মুক্তি প্ৰদায়িনী ॥
সাত ঘোৰা জুৰি ৰথে ফুৰাঘূৰি
সুমেৰু মধ্যত কৰি ।
সৰ্ব্বপাপ হৰ আপুনি ভাস্কৰ
সৰ্ব্ব অন্ধকাৰ হাৰী ॥
তব নাম গুণ বৰ্ণিতে অক্ষম
জগতৰ নাশা ভয় ।
তব তেজ পাই প্ৰাণী জন্ম হয়
অন্তে তব তেজে লয় ॥
বটুনাথ দেৱ আত্ম জ্ঞানাভাব
তোমাত মাগোঁ শৰণ ।
বাস বনগ্ৰাম কামৰূপ ধাম
তব পদে দেহ স্থান ॥

**বড়গীত, ( নাম ) ও সংকীৰ্ত্তন ।**

জয় নমো দিবাকৰ অদিতি নন্দন ।
তোমাৰ তেজেতে দীপ্ত হয় ত্ৰিভূবন ॥

## গীত।

প্রণমো ভাস্কৰ দেৱ দিবাকৰ
কাশ্যপ মুণি কুমাৰ।
তব তেজ পাই প্ৰাণী জন্ম হয়
অন্তে তব তেজে লয়॥

---

# শ্ৰীশ্ৰীশীতলা বন্দনা।

বন্দোহেঁ শীতলা দেবী চৰণ ছুখানি।
ব্ৰহ্মা আদিদেৱে সেবে যুৰি দুই পানি॥

## পদ।

প্ৰণমোঁ শীতলা দেবী ৰাসভ বাহিনী।
চিৰকালে থাকা হৈয়া উলঙ্গ বেশিনী।
সুবৰ্ণ কলসী আৰ সূৰ্প সম্মাৰ্জ্জনী।
মস্তক উপৰে কৰে অধিক শুৱনী॥
স্কন্দ বলিলেক এবে মহাদেৱ প্ৰতি।
শীতলাৰ স্তব প্ৰভূ কহিয়ো সম্প্ৰতি॥
যেই মতে বিস্ফোটক হৱয় বিনাশ।
সেই সৱ মোৰে প্ৰভু কৰিয়ো প্ৰকাশ॥
মহাদেৱে কহিলেক স্কন্দক শুনাই।
বিস্ফোটক বিনাশৰ শুনিয়ো উপায়।

মইও বন্দনা কৰোঁ শীতলা চৰণ।
যাহাৰ স্মৰনে হয় ৰোগ বিনাশন॥
বিস্ফোটক ভয়ে যাক কৰে আক্ৰমণ!
শীতলা শীতলা বুলি কৰয় স্মৰণ॥
বিস্ফোটক দাহ তাৰ শীঘ্ৰে নষ্ট হয়।
মনুষ্যৰ দেহে কিম্বা চক্ষুতেই হয়॥
তাহাৰ ঔষধ এই জানিবা নিশ্চয়।
জ্বৰ দগ্ধ হয় কিম্বা পুতি গন্ধ হয়॥
মনুষ্যৰ শৰীৰত যেই ৰোগ হয়।
শীতলা স্মৰণ মাত্ৰে সৱে পায় লয়॥
বিস্ফোটক দাহে যাৰ জীৰ্ণ কলেবৰ।
অমৃত বৰ্ষিনী দেবী কৰয় শীতল॥
গল, গণ্ড, গ্ৰহ ৰোগ আৰু অন্য ৰোগে।
মনুষ্যৰ শৰীৰত ভোগ কৰি থাকে॥
শীতলা স্মৰণ মাত্ৰে সকলো পলায়।
নালাগে ঔষধ মন্ত্ৰ অন্য যে উপায়॥
আপুনি শীতলা দেবী ৰক্ষা কৰা মোক।
আৰ যত শৰীৰত আছে অন্য ৰোগ॥
অন্য কোনো দেৱতাক নাজানোঁ হো মই।
শীতলা স্মৰণ বিনে অন্য নাহি হয়॥
মৃণাল সূত্ৰৰ সম নাভি হৃদি স্থিতা।
যি জনে সম্যক্ ৰূপে হয় ভক্তি যুতা॥

উপসর্গ নষ্ট আৰু পাছে শান্তি হয়।
জলৰ মধ্যত থাকি শীতলা পূজয় ॥
ঘোৰ বিস্ফোটক ৰোগ গৃহে নাহি হয়।
শীতলা কৃপাতে তাৰ সর্ব্বত্রতে জয় ॥
যাৰে তাৰে এই স্তব তুমি ন কহিবা।
ভক্তি শ্রদ্ধা যুক্ত যেই তেওঁকে কহিবা ॥
স্কন্দ পুৰানত আছে ব্যাস বিৰচিত।
মই পদ বিৰাছলোঁ পয়াৰ চন্দত।
দোষাদোষ ন ধৰিবা মতি অল্প মোৰ।
বটুনাথ নাম ধেয় বনগ্রামে ঘৰ ॥
কামাখ্যাৰ হোতা ভেক আছিলা পূর্ব্বত।
তেওঁৰ বংশত এবে মই ভৈলো জাত ॥

## নাম।

১। আই দেবী শীতলা এ।
২। এ আই আহিলা এ ৰাসভ বাহনে,
বাৰবৈণী সঙ্গে লৈয়া বহিলা আসনে।
৩। এ আই আহিলা এ

## গীত ও সংকীর্ত্তনবড়গীত।

১। প্রনমোঁ শীতলা দেবী চৰণ তোমাৰ।
মার্জ্জনী কলস সূর্প মস্তক উপৰ ॥
২। প্রনমোঁ শীতলা দেবী আপুনি মঙ্গলা।
ৰাসভ বাহনে তুমি অমৃত সিঞ্চিলা ॥

# শ্ৰীশ্ৰীজগন্নাথ বন্দনা।

## নাম।

জয় নমো জগন্নাথ দেবগণ সঙ্গে।
হলধৰ সুভদ্ৰাৰ সহমন ৰঙ্গে ॥

## পদ।

সমুদ্ৰৰ তীৰে আছে নীল গিৰিবৰ।
তাহান মধ্যত আছে পদ্মশতদল ॥
পদ্ম মধ্যভাগে আছে ৰত্ন সিংহাসন।
সেই ৰথে প্ৰকাশন্ত ব্ৰহ্ম সনাতন ॥
বামভাগে প্ৰকাশয় সুভদ্ৰা ভগিনী।
ৰথ অধো ভাগে থাকে ব্ৰহ্মা শূলপানি ॥
ব্ৰহ্মা ৰুদ্ৰ আদি কৰি যত দেব সবে।
যোৰ হাত কৰি আছে নানা ভক্তিভাবে ॥
চাৰি বেদ সাৰ বুলি জান নিষ্ঠ কৰি।
স্বজনে আবৰি আছে দাৰু ব্ৰহ্মহৰি ॥
জয় জগন্নাথ দেৱ সৰ্ব্বদেৱ সাৰ।
নবীন নিৰদ ঘন শ্যাম কলেবৰ ॥
নেজানো ভজন স্তুতি কৰোহো প্ৰণতি।
তোমাৰ চৰণে সদা ৰৌক মোৰ মতি ॥
শমনে ধৰিছে কেশে নাই সেহি জ্ঞান।
পাতক চাৰোক ডাকি বোলা নাৰায়ণ ॥

জগন্নাথ পদে বোলে বটু নাথ দেৱে।
এভব বন্ধনে মোক মুক্ত কৰা এৱে॥

## নাম ও সংকীৰ্ত্তন।

জয় নমো জগন্নাথ দৈবকীৰ স্থত।
স্থভদ্রা ভগিনী সহ ৰোহিনীৰ পুত॥

## গীত নাম।

জয় নমো জগন্নাথ দেৱ চক্রপানি।
বলভদ্র সহ শোভে স্থভদ্রা ভগিনী॥

## গীত।

ভৈৰবী বিমলা দেবী জগন্নাথ ভৈৰব।
ঘুন্নুচাৰ সঙ্গে ৰাজা সমপিলা সব॥

## নাম ও বড়গীত।

নমো দেব জগন্নাথ নীল বৰ্ণ আভা।
নীলগিৰি শৃঙ্গো পৰে নীলধ্বজে শোভা॥

শ্রীশ্রীগুৰবে নমঃ॥

## বৰ গীত ও সংকীৰ্ত্তন॥

সখি হে গুৰু পদ মই ভাবিয়া না পাওঁ,
এ ভব বন্ধন মোৰ এৰাই না যায়;
সখি হে গুৰু পদ মই ভাবিয়া না পাওঁ॥

## পদ।

স্বয়ম্ভু যে মূলাধাৰে, চতুৰ্দ্দলে স্থিতি কৰে,
ডাকিনী শক্তিক সঙ্গে লই॥
মহাবিষ্ণু স্বাধিষ্ঠানে, বিৰাজিত সৰ্ব্বক্ষণে,
শাকিনী সহিতে একে ঠাই।
দশ দল মণিপুৰে, মহাৰুদ্ৰ স্থিতি কৰে,
ৰাকিণী শক্তিৰ সহচৰ।
হৃদয়ে দ্বাদশ দল, অনাহত সুকমল,
লাকিনী সহিতে মহেশ্বৰ॥
বিশুদ্ধাখ্যে ষোড়শাৰে, সদাশিৱ, বাস কৰে,
কাকিণী সহিতে সৰ্ব্বকালে।
আজ্ঞা চক্ৰে শিৱ হয়, থাকে ৰাকিণীক লয়
মুক্তি দাতা প্ৰতিষ্ঠিত ভালে॥
মহাপদ্মে ষোড়শাৰে, ত্ৰিকোন নিলয়ান্তৰে,
নানাৰূপে থাকাঁ সৰ্ব্বমূল।
সদা গুৰু পদ তলে, বটুনাথ দ্বিজে বোলে,
মতি মোৰ ৰওক সমতূল॥

## শিৱৰ বৰগীত॥

নমো শিৱ শঙ্কৰ, দেৱ দিগম্বৰ
ভোলানাথ তুমি গঙ্গাধৰ॥

## পদ।

ওহে দেৱ মহেশ্বৰ, শিৰে শোভে জটাভাৰ
বৃষভ বাহন বিশ্বেশ্বৰ।
জয় নমো হৰি হৰ নীলকণ্ঠ নাম ধৰ
বিভূতি ভূষিত কলেৱৰ॥
স্বয়ম্ভূ যে মূলাধাৰে, চতুৰ্দ্দলে স্থিতিকৰে
জয় নমো দেৱ মৃত্যুহৰ।
দেৱ দেৱ পশুপতি, তুমি অগতিৰ গতি,
অভয় বৰদ হস্ত যাৰ॥
বৃষভ বাহনে গতি, ওহে দেৱ উমাপতি,
ত্ৰিশূল ডম্বৰু ধাৰী আৰ।
শশাঙ্ক শোভিত ভাল, কটিতটে ব্যাঘ্ৰ ছাল,
কৰাঁ তুমি জগত উদ্ধাৰ॥
বটুনাথ দীন অতি, ক্ষমা কৰাঁ পশুপতি,
শিৱ পদে মাগোঁহো ভকতি।
ই দাসক কৰাঁ দয়া, দিয়া মোক পদ ছায়া
বনগ্ৰামে হয় যে বসতি॥

## কালীৰ বৰগীত ও সংকীৰ্ত্তন ॥

জয় জয় মহাকালী কৰাল-বদনী ।
স্বামী হৃদি পদ দিয়া আছা উলঙ্গিনী ॥
তুমি মাতা দাক্ষায়নী শ্মশানবাসিনী ।
সকল মঙ্গল দাত্রী ভয় নিবাৰিনী ॥
ছিন্নমস্তা ধূমাবতী বগলা কমলা ।
ভৈৰৱ নাদিনী দেবী সকল মঙ্গলা ॥
ডাকিনী যোগিনী সব ফুৰে তব সঙ্গে ।
মহাকাল সহ সদা থাকা ৰতি ৰঙ্গে ॥
চণ্ডমুণ্ড বধিয়ে চামুণ্ডা ভৈলা নাম ।
এভৱ সাগৰে মোক কৰঁা পৰিত্ৰাণ ॥
কালিকাৰ পদভাবি বটুনাথে কয় ।
তোমাৰ চৰণে যেন সদা চিত্ত ৰয় ॥

---

## শ্ৰীশ্ৰীৰামকৃষ্ণৰ বৰগীত ও সংকীৰ্ত্তণ ॥

জয় জয় নাৰায়ণ নিকুঞ্জ বিহাৰী ।
গোপিকা ৰমণ দেব বৈকুণ্ঠতে হৰি ॥

### পদ ।

গিৰি গোবৰ্দ্ধন ধাৰী দৈবকী কুমাৰ ।
তোমাৰ মহিমা গুণ বেদে অগোচৰ ॥
নিৰাময় নিৰ্ব্বিকাৰ নিৰ্লেপ নিষ্ক্ৰিয় ।
সকলোৰে আত্মৰূপে তুমি অতি প্ৰিয় ॥

মায়াতে মোহিত কৰাঁ, মায়াতে উদ্ধাৰ।
তব মায়া খণ্ডাইতে শক্তি আছে কাৰ॥
তুমিহে সৃজন ৰক্ষা কৰাঁহা সংসাৰ।
পুনৰ্ব্বাৰ কৰা তুমি পৃথিবী উদ্ধাৰ॥
দ্বিভুজ মুৰলীধাৰী তুমি নাৰায়ণ।
পীত বস্ত্র পৰিধান কৌস্তুভ ভূষণ।
কহে বটুনাথ দেৱ শ্ৰীকৃষ্ণৰ চৰণে!
ৰাধাকৃষ্ণ পদে ভক্তি মাগোঁ সৰ্ব্বক্ষণে॥

---

## সাথৰ।

১। বংশলগুৰ সংযুক্তা অষ্টভ্ৰাতা সমন্বিতা।
কৃষ্ণ বস্ত্ৰাবৃত গাত্ৰা চত্ৰেশ্বৰী নমস্তুতে॥
বংশধৰ নাম যাৰ সেয়ে মধ্যে ৰয়।
আঠফালে আঠ ভাই বেঢ়িয়া থাকয়॥
কৃষ্ণবৰ্ণ চিৰা কানি উৰ্দ্ধে বান্ধি থয়।
পুৰুষৰ শিৰে উঠি আনন্দে ফুৰয়॥
বটু নাথ কবি কহে নেভাবিবা আন।
এনেকুৱা কিবা আছে দিয়া সমিধান॥

২। চতুঃপক্ষ সমাযুক্তম্ মুখে স্মশ্ৰু সমন্বিতম্।
ভাণ্ডাৰস্থং সদা দেবং তৈলকান্তং নমস্তুতে॥

পাখা আছে পক্ষী নহে উৰিয়া ফুৰয় ।
ছয় ভৰি আছে তাৰ বুলিয়া ফুৰয় ॥
মুখত আছয় দাড়ি মনুষ্য নহয় ।
শূড় আছে কিন্তু তাক হস্তী নুবুলয় ॥
মনুষ্যৰ ভৰালত কৰি থাকে বাস ।
যাহাৰ সঙ্গতে কৰে সকলো বিনাশ ॥
কবি বটুনাথে কহে শুন এই কথা ।
এনেকুৱা জন্তুবোৰ থাকয় সৰ্ব্বথা ॥

৩ । চক্রবৎ পৰিচালনং কৃতং ধীবৰ ৰক্ষিতম্ ।
বংশ খন্দ মহাভাগং কুৰ্ম্মৰূপং নমস্ততে ॥
কুৰ্ম্মৰ ক্ৰোৰত বহি আছে বংশধৰ ।
তাহাক সযত্নে ৰাখে মীন ঘাতি নৰ ॥
তন্তুৰ উদ্ধাৰ যদি তাহাতে কৰয় ।
কুলালৰ চক্র যেন ঘুৰিয়া থাকয় ॥
বটুনাথ কবি কহে কৰি সমাদৰ ।
ইটো কিবা যন্ত্র হয় কহিও সত্বৰ ॥

৪ । পদশিৰ হীনদেবঃ খন্দবস্ত্রেন নিৰ্ম্মিতঃ ।
নানা বৰ্ণ ধৰাঃ লোকাঃ ত্বমেব ভক্ষসি যদি ॥
খন্দ খন্দ কৃত সেই পিছে জৰা লয় ।
নৰৰ সদৃশ জন্তু শিৰ পদ নাই ॥
ইটো জন্তুই যদি মানুহক গিলি ধৰে ।
নানা ৰূপ ধৰি লোকে ফুৰয় সংসাৰে ॥

কহে বটুনাথ কবি ইটো নহে ভন্দ।
নেলাগে পণ্ডিতজন মূর্খ নহে ধন্দ॥
৫। খন্দ বাসং সমাকৃষ্য বহু সুত্রেন নির্ম্মিতম্।
নানা দ্রব্য সমাযুক্তং জলঙ্গেশ্বৰী নমস্তুতে॥
সুতাৰে নির্ম্মিত হয় মুখে দুই জৰি।
তাহান মধ্যতে আছে নানা বস্তু ভৰি॥
পুৰুষৰ স্কন্ধে দেবী উঠিয়া ফুৰয়।
এনে কিবা জন্তু আছে কোৱা এবে ভাই॥
চক্রবর্ত্তী কবি কহে নহে কথা টান।
সকলে জানিব পাৰে নেভাবিব আন।
৬। পানিস্থিতোঽসৌ নবৈসাৰিনশ্চ।
বৃক্ষস্যনামঃ নচসোঽপি বৃক্ষঃ॥
স্কন্ধো পবীতং নচকাপি বিপ্রঃ।
তাৰণে ৰৌতি নতাৰনে নৈব॥
পানিত থাকয় সিটো নুবুলই মাছ।
বৃক্ষ নামে নাম হয় নহি হয় গাছ॥
বক্ষে আছে যজ্ঞসূত্র বিপ্রপুত্র নই।
মাৰিলে ক্রন্দন জুৰে নামাৰিলে নয়॥
বটুনাথ কবি কয় শুনা ইটো কথা।
কাৰো কাৰো ঘৰে থাকে জানিও সর্ব্বথা॥
৭। সদৈক পত্রযাতো যোহি বৃক্ষ।
পত্রাগ্রেছিন্নঃ তৰুচিত্র বর্ন্নঃ।

ভক্ষন্তিলোকাঃ পত্ৰবৃক্ষমূলম্ ।
একেন পত্রেন বিনস্যতি সঃ ॥
একপত্রে জন্ম ধৰে আৰ পাত নাই ।
পাতৰ আগত আছে ছিন্নভিন্ন হয় ॥
মূল বৃক্ষ পাত সব মানুহেই খায় ।
ইটো কিবা হয় এবে কহিও নিশ্চয় ॥
বটুনাথ কহে ইটো অন্য নাভাবিবা ।
খাব নেজানিলে পাছে বহু কষ্টপাবা ॥

৮। নেত্ৰাঃ বহবঃ নহিসহস্ৰাক্ষঃ ।
অৰণ্যেবাসঃ নচ ৰামচন্দ্ৰঃ ॥
জটাধাৰীচ নচত্রিপুৰাৰী ।
নহি ভল্লুকশ্চ মুখে স্মশ্রুধাৰী ॥
বহুত নয়ন ধাৰী নহে বজ্ৰধাৰী ।
শিৰে শোভে জটা ভাৰ নহে ত্রিপুৰাৰী ॥
ভল্লুক নহয় তাৰ মুখে আছে দাড়ি ।
বনত কৰিছে বাস নহেৰাবনাৰী ॥
বটুনাথ কবি কহে জানিবা নিশ্চয় ।
ইটো কিবা দ্রব্য হয় কহিও আমায় ॥

অন্ত

HANUMAN BUX

# জ্ঞাননী।

লিখকৰ ছপাহৈ ওলাব ধৰা আন আন কিতাপ :—
পদকল্পতৰু ( বন্দনামালা ) ; পাঠবোধিনি ১ম ভাগ ; দশ-কৰ্ম্মানুস্থান ( গীতমালা ) ; কবিতা কুসুম ( সাথৰ মালা ) ; পুষ্পোৎসব গণনা ( যোটন শুদ্ধি )।

## প্ৰাপ্তিস্থান—

শ্ৰীবটুনাথ চক্ৰবৰ্ত্তী কবিভূষণ
পোঃ বনগ্ৰাম সাং বনগ্ৰাম
কামৰূপ।

শ্ৰীযুত গিৰীশ্ চন্দ্ৰ শৰ্ম্মা ব্যাকৰণ শাস্ত্ৰী,
কবিৰাজ :
পোঃ আঃ ৰিহাবাৰী
সাং নতুন আমোলাপতি
জেলা ডিব্ৰুগড় ( আসাম )

শ্ৰীযুত মহেন্দ্ৰনাথ চক্ৰবৰ্ত্তী
পোঃ আঃ পাট্গ্ৰাম
সাং জঙ্গৰা
জেঃ জলপাইগুৰি